কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা



# সহস্ৰ কবিৰ সহস্ৰ কবিতা

## তৃতীয় খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

**Sahasra kobir Sahasra kobita**

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
গুনীন ফুকন

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

**সম্পাদনা সমিতি**

## মুখ্য সম্পাদক
হিতেশ গোস্বামী

## কাৰ্যবাহী সম্পাদক
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

## সন্মানীয় সম্পাদক মণ্ডলী
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
পবিত্ৰ কুমাৰ দাস
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
অলকা মহন্ত বৰুৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
বিকাশজ্যোতি বৰুৱা

## সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

### সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইণি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

### সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণব দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**

**সহযোগী সম্পাদক**

অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**চিনাকিবোৰ অচিনাকি হ'ব** / বীণা মজিন্দাৰ বৰুৱা ১৫
**পূৰ্ণিমা** / চন্দ্ৰমা শৰ্মা ১৬
**এজাক চিপ্ চিপিয়া বৰষুণ** / তিলোত্তমা দাস নাথ ১৭
**আমি যুঁজিম আমি জিকিম**/ প্ৰেমদা চহৰীয়া ১৮
**ৰঙচুৱা কবিতা** / জোনা বৰঠাকুৰ ১৯
**মেঘে গোৰা অন্তৰাগ** / সবিতা বৰুৱা ২০
**তাড়না** / ফখৰুদ্দিন আহমেদ ২১
**স্মৃতিৰ দোলাত ৰাণীৰ পাহাৰ** / দিব্যজ্যোতি ডেকা ২২
**প্ৰাণৰ তাগিদাতে** / অনিল চন্দ্ৰ নাথ ২৩
**ৰাতিপুৱালৈ এতিয়া কিমান প্ৰহৰ** / সঙ্গীতা সাগ্‌পনা শৰ্মা ২৪
**শব্দ গংগা বিচাৰি যাযাবৰ মই** / উৎপল ভট্টাচাৰ্য্য ২৭
**নোকোৱাখিনি** / হিমাংশু পাঠক ২৮
**তুমিয়েই মোৰ জীৱনৰ প্ৰথম ভালপোৱা** বন্তিৰীমা ফুকন শইকীয়া ২৯
**আবতৰীয়া** / ৰাম প্ৰসাদ ৰাভা ৩০
**কোলাহল** / পৰশমণি কাশ্যপ ৩১
**বৰষুণৰ মাধুৰ্য** / ৰাজীৱ পাতৰ ৩২
**হেৰোৱা শব্দ !** /বিতোপন বৰদলৈ ৩৩
**ভাৰাঘৰ** / দুলুমণি দেৱী ৩৪
**প্ৰেমিক চৰাই মই** / হাইছ উদ্দিন আহমেদ ৩৫
**জোনাকৰ প্ৰেম** / মামনি বড়া ৩৭
**জীৱন ৰথৰ চকা**/ দ্বীপেন চৌধুৰী ৩৮
**তুমি কৃষ্ণচূড়া হৈ ফুলি আছা** / প্ৰদীপ কুমাৰ নায়ক ৩৯
**জীৱনে কি বিচাৰে** / নাছিৰ আহমেদ ৪০
**নতুন দিগন্ত** / সীতা দেৱী ৪১
**নদী আৰু নাৰী** / জয়া ৰৌফ ৪২
**কোন পথৰ যাত্ৰী মই** / মাৰজিয়া আহমেদ ৪৩
**শিক্ষাৰ যাত্ৰাত মই** / শ্ৰৱণ বৰবৰা ৪৪
**ব'হাগ বিহু** /জোনালী হাজৰিকা (জিলমিল জোনালী) ৪৫
**মৰানদী বয় নিৰবধি** / গুণজিৎ শইকীয়া ৪৬
**জঁট লগা সময়** / সাধন নাথ ৪৮
**জোনাকৰ শেতেলীত মিতিৰালী** / ৰাণু গগৈ ৪৯
**আবতৰীয়া** / বীণা বৰুৱা ৫০
**শিলগুটি** / বিজু ফুকন কলিতা ৫১
**ইয়ে ব্ৰহ্মশক্তি সিদ্ধ বিজয়ৰ বীৰ্য্য** / প্ৰণৱ ৰঞ্জন শইকীয়া ৫২
**লৃগাঙে টুকুৰিয়াই দিছে হৃদয়ত** / অমিলতা টায়ে মিলি ৫৩
**শব্দবোৰ তেতিয়া** / কল্যাণ কিশোৰ নাথ ৫৪
**প্ৰেমৰ কণিকা** / ৰীমা দেৱী ৫৫
**ঘৰ** / তীৰ্থ ৰঞ্জন মহন্ত ৫৬
**এজাক সপোনৰ আৰেশত** / দিলীপ তাঁতী ৫৮
**বৰ্ণিল অৰণ্যায়ণ** / নৰৰূপ মজুমদাৰ ৬০
**আস্থাৰ গান** / অৰুণীমা হাজৰিকা ৬১
**মুখা পুৰি ছাই হয়** / নজৰুল ইছলাম ৬২
**পিতাইৰ ৰং যোৱা চোলাটো** / কমল কলিতা ৬৩
**দ্ৰৌপদী, মোৰো ওৰে ৰাতি টোপনি ক্ষতি** / অৰ্চনা দেৱী ৬৪
**পৃথিৱীক অলপ জিৰণি দিয়া**/কৃষাংগী কলিতা ৬৫
**মোৰ ঘৰ** / ববী বড়া ৬৬
**কথাবোৰ নৰজিলে...** / বাবুল দাস ৬৭
**আজিওঁ তোমাক চুব বিচাৰে**/ হেলমিনা খাতুন ৬৮
**সখিঃ** / গজেন কলিতা ৬৯
**তমসাচ্ছন্ন যামিনী** / ঋতুস্মিন চেতিয়া ৭১
**বিবেক** / ছাবিনা আলিয়া ৭২
**উপলব্ধি** / মুন ৰাজবংশী ৭৩
**নতুন কবিতা** / কামিনী মোহন শৰ্মা ৭৪
**আচল ৰহস্য** / কমলাক্ষী বৰা ৭৫
**সানুনয়** / ড° মন্‌জু হাঁলৈ ৭৬

**সন্দেহৰ আৱৰ্ত্তত মোৰ শিক্ষা** / টংকেশ্বৰ কলিতা ৭৭
**স্বদেশৰ গৌৰৱ** / জ্যোতি মাধৱ ৭৮
**ভাল মানুহ** / গীতাঞ্জলি কলিতা ৭৯
**জীৱন চক্ৰ** / সবিতা দাস ৮০
**হত্যাকাণ্ডৰ পদ্য** / প্ৰণৱ কুমাৰ বৰ্মন ৮২
**চান পাপৰি** / ৰঞ্জিত পাটগিৰি ৮৩
**প্ৰেম** / অচিন্ত্য ৰাজখোৱা ৮৪
**শব্দৰ তুলিকাত এখন ছবি...** / টেজেন হাজৰিকা ৮৫
**আখৰা** / অৰুণ গগৈ ৮৬
**অভিমানী মন** / চুমি বৰ্মন ৮৮
**কবিসকল সুখী নহয়** / অঞ্জনা শইকীয়া ৮৯
**আলি আয়ে লৃগাং** / ডেনী গাম ৯০
**খেতিয়কৰ সপোন** / ব্ৰজেন মেধি ৯১
**তেতিয়া আখৰ নাছিল** / ডাঃ মৃদুল গগৈ ৯২
**হৃদয়ৰ অনুভৱ** / অখিল চন্দ্ৰ দাস ৯৪
**জয়াল নিশা যৌৱনৰ আৰ্তনাদ** / অনন্ত কুমাৰ ভূঞা ৯৫
**অনুভৱ** / অৰুন্ধতী গগৈ ৯৬
**নষ্টালজি** / ফিৰোজা বেগম ৯৭
**আকুল হৃদয়ৰ আহ্বান** / সবিতা মুদৈ ৯৮
**মাঘ বিহু** / জ্যোৎস্না ৰাণী ৯৯
**প্ৰেমৰ মালিতা** / নমিতা গোস্বামী ১০০
**পানীভেকুলী** / সত্যজিত গগৈ ১০১
**জীৱন যন্ত্ৰণা** / নাছিৰ আহমেদ ১০২
**অবোধ শিশুৰ কান্দোন** / নীলাঞ্জনা শৰ্মা বৰুৱা ১০৩
**নাৰী** / হিমাজ্যোতি তালুকদাৰ ১০৫
**তুমি আকৌ আহা আমাৰ মাজলৈ** / পবিত্ৰী ভৰালী (মণি) ১০৬
**তেওঁ আহে তীৰ্থোদক হৈ** / ৰঞ্জু ভাগৱতী ১০৭
**মই পাগলহৈ গৈছোঁ** / ৰেখা দত্ত ১০৮
**ভস্ম ঋষিৰ সৃষ্টি** / ৰিজুমণি কটকী ১০৯
**প্ৰশ্ন** / মাইটি কাকতি দাস ১১০
**তুমি** / জীৱন কৃষ্ণ মহন্ত ১১১
**সন্ধানৰ শেষত** / গুণধৰ নাথ ১১২
**বিচিত্ৰ মানৰ জীৱন** / পূজা ধৰ বৈষ্ণৱ ১১৩
**স্বাগতম** / শেৱালি দাস কলিতা ১১৪

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

*শ্ৰদ্ধা আৰু ভক্তিৰে*

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# <u>কৃতজ্ঞতা</u>

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীব বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# উৎসৰ্গা



*‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’ৰ এই খণ্ডটি প্ৰয়াত*
*পূৰ্বেশ্বৰ ফুকন (বাহনী, মৰিয়নি,*
*যোৰহাট)ৰ সোঁৱৰণত সংস্কাৰধ্বনি ফাউণ্ডেচনৰ*
*সাধাৰণ সম্পাদক শ্ৰীযুত গুনীন ফুকনৰ*
*আৰ্থিক পৃষ্ঠপোষকতাত উৎসৰ্গা কৰা হ’ল।*

**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস ‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে ‘কবিতা’। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টায়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ ***জয়তু ভাষা জননী*** ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**
**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# চিনাকিবোৰ অচিনাকি হ'ব

বীণা মজিন্দাৰ বৰুৱা
নতুন দিল্লী

জীৱনৰ দীঘলীয়া পৰিক্ৰমাত
ভাল লাগে কাৰোবাক লগ পালে,
কি যে মিঠা সুমধুৰ ক্ষণ
আনন্দময়ী হৃদয়ত যেন উৎসৱৰহে আয়োজন।
প্ৰাতঃ ভ্ৰমণত জোৰেৰে খোজ কাঢ়ি যাওঁতে ভাল লাগে
এটি মিঠা হাঁহিৰে সম্ভাষণ জনায়।
কেতিয়াবা ঈশ্বৰৰ আৰাধনাৰ থলী মন্দিৰ,
মছজিদ, গীৰ্জা, নামঘৰত সভক্তিৰে
সেৱা জনাওঁতে,
আবেলিৰ মধুৰ লগনত পাৰ্ক নাইবা
বজাৰ, কাপোৰৰ দোকানত লগ পালে ভাল লাগে।
কোনোবা দিনা আক' সান্ধ্য ভ্ৰমণৰ মিঠা মিঠা লগা
আৱেগিক ক্ষণত কোনোবা বিলাসী ৰেষ্টুৰেন্টত
চাহ, কফিত চুমুক দিওঁতে
কাৰোবাক চোন লগ পাই গ'লে বৰ ভাল লাগে।
মুঠতে এদিন সকলোবোৰ ভাল লগা
জীৱনৰ পৰা হেৰাই যাব,
চিনাকিবোৰ অচিনাকি হৈ পৰিব,
তথাপি জীৱন ডায়েৰীৰ পৃষ্ঠাত এই ভাল লগাবোৰ
আজীৱন সজীৱ হৈ ৰৈ যাব।

# পূৰ্ণিমা

চন্দ্ৰমা শৰ্মা
পানবজাৰ, গুৱাহাটী

বুকুৰেদি দুখ এটা উজাই আহিছে
ঠিক যেন ভটিয়নি সোঁতত বিলীন হৈ যোৱা
এটি কৰুণ ভাটীয়ালী গীত!
শেৱালি ফুলৰ সুগন্ধ
বুকুত সাৰটি লৈ
নিশাটোৱে মেলানি মাগিলে,
থৈ গ'ল নিঁয়ৰৰ খোঁজ।

যোৱাৰাতি মই এটা সপোন দেখিছিলোঁ
মই হেনো বৃন্দাবনত
তোমাতেই মগন।

তুমি, মই আৰু জোনবাই
আমাৰ প্ৰেম এটি ত্ৰিকোণ
যেন মিলিব খুজিও
মিলিব নোৱাৰা এটি সুৰ।
দুখবোৰ সামৰি হুমুনিয়াহ কাঢ়োঁতেই
কোনোবাই কাণে কাণে ক'লে,
আজি ৰাস পূৰ্ণিমা
আজিটো তোমাৰেই ৰাতি
আজি কোনো ৰুক্মিণীয়ে
কৃষ্ণক নিদিয়ে বাধা
আজিতো সত্যভামাৰ অভিমানে
শ্ৰী হৰিৰ বাট আগচি নধৰে,
হওকেই বা যোল্লশ গোপিনীৰ সৈতে
তথাপিও কৃষ্ণ আজি মাথোঁ ৰাধাৰ বাবে।।

# এজাক চিপ্ চিপিয়া বৰষুণ

তিলোত্তমা দাস নাথ
বৰসজাই, গুৱাহাটী

সদায় দেও দি দি ফুৰা এহাল চৰাই
কেতিয়াবা নাহৰত কেতিয়াবা এজাৰত,
প্ৰয়োজন সিহঁতৰ নাহৰ, এজাৰৰ শীতল ছাঁ।
গছবোৰ যে এতিয়া লঠঙা হ'ল
আহিব নে ... এজাক সপোনৰ বৰষুণ
বৰ প্ৰয়োজন এজাক বৰষুণৰ,
নাহৰ এজাৰে যে সদায় আছে ৰৈ
এজাক চিপ্ চিপিয়া বৰষুণৰ আশাত।
আহিব চৰাই হাল,
গছৰ ডালবোৰত সেউজীয়া
পোখাবোৰে ঠন ধৰি উঠিব,
ডাল ভৰি ফুলবোৰ ফুলিব
ডালত বহি চৰাইহালে গীত জুৰিব,
জোনাক নিশা নাহৰৰ ফুলবোৰ
উজলি উঠিব জোনবাইজনীৰ সৈতে।
চৰাই হালে বাহ সাজিব পাতৰ আঁৰত।
এতিয়া প্ৰয়োজন এজাক চিপ্ চিপিয়া বৰষুণৰ।

# আমি যুঁজিম
# আমি জিকিম

প্ৰেমদা চহৰীয়া
মঙলদৈ

আমি যুঁজিম
আমি জিকিম।
জীৱনৰেই অন্য নাম
নহয় জানো যুদ্ধ ??
নাথাকিলে যুদ্ধ ,
থাকিব জানো শান্তিৰ অস্তিত্ব !
ৰাতিৰ পিছত দিন
দুখৰ পিছত সুখ,
হাঁহিয়েই যদি নাথাকে
আহিবনো কেনেকৈ কান্দোন
দুখৰ কৰণিৰে
হে জীৱন সোঁৱৰণী !!
আন্ধাৰেইতো জনাই
পোহৰক আদৰণি।
প্ৰজা আছে বাবেইতো
ৰজাৰ অস্তিত্ব!
দুখীয়া থকা বাবেই
ধনীৰ প্ৰভুত্ব!
দৰ্শক-শ্ৰোতা বিহীন ভাৱৰীয়াৰ
থাকে জানো মূল্য ?
নাভাবিবা এইয়া মাথোঁ ওভতনি..!
এয়াই প্ৰকৃতিৰ ৰীতি
এটা মুদ্ৰাৰ ইপিঠি সিপিঠি ।
বান্ধে ৰাখিছানে উমান?
সুখ-দুখ,হাঁহি -কান্দোন চোন
জীৱন বাটৰ লগৰী।
বাই যোৱা জীৱন ডিঙা
নাযাবা হুঁহকি।
দোপালপিটা বৰষুণৰ অন্তত
মেঘাচ্ছন্ন আকাশত
উদয় হয় সাতোৰঙী ৰামধেনু।
বাই আগুৱাই যোৱা জীৱন ডিঙা।
নকৰিবা তন-মন উৰুঙা
সুখ-দুখ ,হাঁহি-কান্দোনৰ
বজোৱা বেনু উজলাই ৰামধেনু।
জোন-সুৰুজ-পৃথিবীয়ে
হাতে হাত ধৰি একে কাননতে
ৰচিব সৰগ উলাহতে-
আমি যাম আগুৱাই
এই আপাহতে....!
আমি যুঁজিম
আমি জিকিম
সুদিন এদিন
আনিমেই আনিম।

# ৰঙচুৰা কবিতা

জোনা বৰঠাকুৰ
শিৱসাগৰ

উকা কাগজ আৰু
কলমটো লৈ ভাবিলোঁ,
মনৰ দুৱাৰ খুলি
হৃদয়ৰ কোঠা খালী কৰি
গুজৰি-গুমৰি থকা কথাবোৰ
লিখি যাওঁ ৰামধেনুৰ ৰঙেৰে,
উদ্দীপ্ত জীৱনৰ ৰঙচুৰা কবিতা।
ভাবি আছোঁ,
হৃদয়ৰচোন বহু ছবি,
বহু যন্ত্রণা, বহু আশা, বহু ৰং-
কোনটো ৰঙেৰেনো বাৰু মেলোঁ পাতনি !
হঠাতে কলমটোৱেই ক'লে-
পাৰিবানে লিখিব ৰঙীন ছবি ?
মৰহা হৃদয়-চাপৰিত
ফুলিবনে কঁহুৱা বন ?
শৰতৰ শেৱালিয়ে উৰুখা পঁজাত
বিলাবনে সতেজ সুবাস ?
তোমাৰ হৃদয়ৰ নিভৃত কোণত
জমি জমি গোট মৰা হিমক
পাৰিবনে গলাব মোৰ
ক'লা চিঞাহীৰ আঁক-বাঁকে ?
স্থিৰ কৰা মন,
খোজ দিয়া আগলৈ,
মিলোৱা খোজ সময়ৰ স'তে।
দেহৰ দুর্বলতা নাশা শৰীৰ চালনাৰে,
সময় নাথাকে ৰৈ।
দেখিবা, জীৱনৰ ৰঙীণ ইতিহাস
মানৱীয় নদীৰ সাৱলীল সোঁতেৰে মিলি
ঢৌ খেলি খেলি আছে অনন্তলৈ বৈ।

# মেঘে গোৱা অস্তৰাগ

সবিতা বৰুৱা
কমলপুৰ, বাইহাটা

গান গোৱা শুনিছোঁ
সৌ আকাশৰ সীমনাত
এটি নীলা পখীৰ করুণ আৰ্তনাদ।
বৰষুণ হেৰোৱা মেঘৰ গুম গুমনিত
অস্তৰাগ।
নহা হ'লেই ভাল আছিল নেকি বৰষুণ জাক।
ৰামধেনুৰ শীতল শেতেলিৰ দুঃস্বপ্ন
বৰষুণে ধোৱা আকাশখন।

হুৰহুৰাই নামি অহা এন্ধাৰ জাকত সপোন
পুৰীৰ ব্যস্ত নগৰ খন।
সেউজীয়া পাহাৰ খন ঘৰমুৱা পথিকৰ কোলাহ'ল।
হৃদয় বিদাৰি অহা ঐনিতমৰ সুৰ,
শিলৰ চেপাত যেন এটি জীয়া সপোন।

নৈখনে ৰিঙিয়াই .....
এন্ধাৰ আহিলেওঁ মই বৈ যাওঁ
মোৰ গতি নিৰন্তৰ।
এবাৰ আকাশলৈ চোৱা,
বৰষুণ নাই বাবেই জোনাকে পাতিছে মেলা।

ভটিয়ালি বেলিৰ ৰ'দজাকে সোঁৱৰাই ...
এন্ধাৰ হোৱাৰ আগতে,
বিষণ্ণতাৰ ছাঁ পেলোৱা
পদূলিৰ পোহৰ বোৰ নৌ পাওঁতেই বেগাই যোৱা
বেগাই যোৱা সূদুৰ লক্ষ্য স্থানলৈ...।।

# তাড়না

ফখৰুদ্দিন আহমেদ
সানোৱা, দৰং

জীয়াই থকাৰ হেঁপাহত
সেউজীয়াৰ যি পৰিক্ৰমাৰ
প্ৰেমত পৰিছিলো

সেই প্ৰেমৰ বাবেই
যেন এতিয়া
জীয়াই থকাৰ
দুৰ্বাদল হেঁপাহত
বন্দী কৰিছোঁ
বেলিৰ হালধীয়া ৰ'দৰ পৰা
নিজকে

সেউজীয়াৰ প্ৰেমবোৰত
মোহৰ সাধনা লাগি
পৃথিৱী খনেই যেতিয়া
নিঃস্বাৰ্থ হৈ যায়
তেতিয়া
প্ৰেমে গতি সলায়

পৃথিৱীখন জীয়াই থাকিলেহে
প্ৰেমবোৰ জীয়াই থাকিব
জীয়াই থাকিব
আবেলিৰ লহিওৱা
পৰৰ
বেলিৰ অন্তৰৰ আকুতি ।।

# স্মৃতিৰ দোলাত ৰাণীৰ পাহাৰ

দিব্যজ্যোতি ডেকা
হাজৰিকাপাৰা, ছিপাঝাৰ

ৰাণীৰ পাহাৰত শব্দৰ উৎসৰ
গীতৰ ফুলজাৰিৰে...
দূৰণিবঁটীয়া গতিৰে...
শীতৰ কোনো এটি দিন উথপথপ

ঘৰলৈ আজি মনত নপৰে
পোহনীয়া পখীৰ কাকলিও
সুদূৰ সঁজাতে...
কেমেৰাত বন্দী মাথোঁ অবয়ৱ
নিজৰাৰ ভাঁজে ভাঁজে...

পাহাৰৰ চূড়ালৈ গতি কৰাও
এটা প্ৰতিভা
ক্লান্তিতো ওভতাৰ অৱকাশ নাই
খন্তেক জিৰণি
তথাপি শীৰ্ষলৈ যাবৰে মন
জানিবা...
এনেকৈয়ে জীৱন হয়
পূৰ্ণতাৰে পূৰঠ

নিজৰাৰ অবিৰত সৰ্পিল গতি
মৰম ঢালি কৰে তৃষ্ণা নিবাৰণ
প্ৰকাণ্ড শিলৰ সুগন্ধিত বুকুৰে
হো-হোৱাই কৈ আহিছে
জীৱনৰ মহান বাণী...

দ্ৰষ্টাই পোহৰ দেখে
আৰু এখোঁজ আগত
তামৰঙী চেক লাগি
ওফন্দি উঠে বিৰিখবোৰ...
পিপৰায়ো বিচাৰে খাদ্য
জীৱনৰ অৰ্থ বিচাৰি
কম্পিত চকুৰে
বগলীজাকৰ দেহ শিয়ঁৰি উঠে
সমুখত দেখি শিলৰ গহ্বৰ।।

# প্ৰাণৰ তাগিদাতে

অনিল চন্দ্ৰ নাথ
জামুগুৰি, নগাঁও

হে মোৰ প্ৰিয় পাঠক,
সন্তোষিব নোৱাৰি আপোনাক
বহু দিন ধৰি
জ্বলি পুৰি গুজৰি গুমৰি
নিজতে অৱহেলি
বিমৰ্ষিত মই!

আপোনাৰ হিয়া শাঁত কৰা
সুগন্ধি এধাৰি বকুল মালা
নহ'ল যে মোৰ আজিও গঁঠা,
সূতা ছিগা মাকো
গঢ়িব পৰা নাই সাঁকো
আপোনাৰ হৃদয়ৰ পৰা মোলৈ
ধিক্কাৰিত হওঁ
কবি নহওঁ
তথাপিও লিখোঁ কবিতা
ই যে মোৰ প্ৰাণৰ তাগিদা।

আঙ্গিকতাক উপেক্ষি
ভাষাৰ লালিত্য এৰি
নেওচি মায়াময় শব্দ শৈলী
নেপাতি হিয়াত দুখৰ হাট
অনিয়ন্ত্ৰিত ভাৱৰ
অদম্য উচ্ছাসতে
কবি নহলেও
লিখোঁ কবিতা
ই যে মোৰ প্ৰাণৰ তাগিদা।

কাব্যিকতাত নিঃকিন অতি
নাই এধানিও তাৎক্ষণিক গতি
ৰমন্যাসৰ বনবাস য'ত
তৎসত্বেও হাবিয়াস ত'ত
পিয়াবলৈ এফোটা মৌ
কবি নহলেও
লিখি যাওঁ কবিতা
ই যে মোৰ প্ৰাণৰ তাগিদা।

অমাৱস্যাৰ পৰা পূৰ্ণিমালৈ
এন্ধাৰৰ সতে জোনে যুঁজাকৈ
সহনশীলা নৈ হৈ
সী থাকিম জী থকালৈ
মোৰ উৰুখা কলিজাক,
আপোনাৰ হিয়া শাঁত পৰালৈ
কবি নহলেও কিম্বা
কবিতা নহলেও
লিখি যাম হৃদয়ানুভূতিৰ কথা
ই যে মোৰ প্ৰাণৰ তাগিদা।।

# ৰাতিপুৱালৈ এতিয়া কিমান প্ৰহৰ

সঙ্গীতা সাগ্‌পনা শৰ্মা
গোলাঘাট, বৰপথাৰ

স্তব্ধ হৈ পৰা পৃথিৱীৰ
এটি গভীৰ নিশাৰ মৌনতাত  সাৰে আছে মৃগলোচনা।

শুকান পাহাৰটোত মাথোঁ কুমটিৰ ৰাগ
যন্ত্ৰৱৎ কোৰ্হালত যেন নিৰানন্দৰ প্ৰতিযোগিতা
কুটিল সময়বোৰত আখৰা কৰিছে নাহৰজোপাই
ফুলবোৰ সৰিব প্ৰভাতীৰ অপেক্ষাত।

মৃগলোচনাৰ হিৰণ্ময় অক্ষিত আজি দেখোন কোনো সপোনৰ আগমন নাই
অজানিতে চিৎকাৰ কৰি উঠিছে ৰুঢ়
এই পৃথিৱীত শংকাবোৰো আশংকা।

কৃষ্ণচূড়াৰ ৰাঙল ৰঙ সানি তাই নিতৌ গৰ্ভৱতী হয়
গাখীৰতী সপোনত স্নান কৰি নকইনাই জোৰোণ পিন্ধে
জেতুকাৰ ৰং বাহী হৈ ৰয়
ব'হাগ যে এতিয়া এটি ঋতু হৈ ৰ'ল।

স্তব্ধতাবোৰতো অট্টহাস্য
জড়তাই বেঢ়িধৰা সময়বোৰতো সোঁৰৰাই আছে
কুটিলতাৰ পদচিহ্নত
এসোঁতা কেঁচা তেজ।

হালধীয়া সোনাৰুৰ হাঁহিত পাতিছে সভা ...
তথাপিও মৃগলোচনা স্থবিৰ
নিশাৰ গভীৰ স্তব্ধতাতো  শুনো
পায় লুইতখনে বিনাইছে
কিন্তু শব্দহীন !!

গীতবোৰ হেৰাল, কৃষ্ণচুড়াৰ হাঁহিত কবিতাবোৰত শৃঙ্গাৰ নাই
বহু দিনেই হ'ল পুৱতি বৰগীতৰ আখৰা শুনা পোৱা নাই
অচিনাকি চৰাইবোৰৰ সুললিত কণ্ঠত বিষাদ
সিঁহতৰ মাততো শুনা পোৱা যায় চেপা আৰ্তনাদ।

মৃগলোচনাৰ দুচকুৰ পটা জাপ নাযায়
বসন্তৰ সাধু কোৱা আখলবোৰত বহুত দিনেই
হ' ল জুই জ্বলা নাই।
খবৰবোৰ মাথোঁন খবৰ হৈ পৰিছে
নিশ্বাসৰ অন্তিম চৰণত
চাঙীত যাবলৈও কোনো আড়ম্বৰতা নাই।
অদূৰৰ পৰা ভাঁহি আহে এটি শিশুৰ ক্ৰন্দন
ইতিমধ্যে মৃত্যু হৈছে এগৰাকী মাতৃৰ
মৃত্যু যে এতিয়া আলহী নহয়
ইচ্ছাকৃত দস্তখত
সময়ে দলিল লিখে।
সপোন চিকুটি জোনাকী গানত ৰুদ্ধ কণ্ঠ
মৃগলোচনাই শ্বাস ৰুদ্ধ হব খোজা কলিজাটোক শুবলৈ কয়
শেষ নিশাৰ এজাক বৰযুণ
হাঁহিৰ মুকুতা জিলিকাই দিনমণি আহিব
সুগন্ধি বতাহ জাকত কেতেকী ফুলৰ সুবাস।
ৰাতিপুৱাবলৈ এতিয়া কিমান প্ৰহৰ!!

**দ্বিতীয় ভাগ**

**সম্পাদনা**

ৰঞ্জনা পাঠক



# শব্দ গংগা বিচাৰি যাযাবৰ মই

**উৎপল ভট্টাচাৰ্য্য**
এলেংগীদ'ল, নলবাৰী

মৃত সময়ৰ বুকুত
উজাগৰী জীৱনৰ সন্ধানত
যাযাবৰ মই
চকুত কাঁচিয়লি ৰ'দৰ এষণা
বুকুৰ নিকটত আত্মীয়তাৰ শিহৰণ সনা
তাৰেই প্ৰতীক্ষাত কবি মই চিৰউন্মনা

উন্মুক্ত আৱেগত
স্ৰোতস্বিনী গংগা মোৰ শব্দ
ধুৱাই থৈ বৈৰাগী-মঠ
উটুৱাই মনৰ যুগান্তৰৰ ক্লেদ

লিহিৰি আঙুলিৰ স্পৰ্শত
জী উঠে এগছি বন্তি
শংখ ঘণ্টাৰ ধ্বনিত
মুখৰিত হয় গংগাৰ উপকূল
জোন তৰাই ওঁঠত আঙুলি দি
শুনি থাকে শব্দ-গংগাৰ কলৰৱ

মহাকালৰ কেশাৰণ্যত
ভাগিৰথী আজি অৱৰুদ্ধ
নিষ্প্ৰদীপ উপকূল
তথাপি কোনো দুখ নাই,
নাই কোনো আক্ষেপ

যাযাবৰ মই
ফাগুনৰ শিমলু বনত
ৰিঙা-উৰুঙা সময় কুটি খোৱা
বিহংগৰ কণ্ঠত
বিচাৰি যাম ব্ৰহ্মাৰ মন্দিৰ
জগাবলৈ পুৱাৰ বেলি
ডাৱৰে ডাৱৰে লিখিম
ঋতুমতী পৃথিৱীৰ খবৰ।

# নোকোৱাখিনি

**হিমাংশু পাঠক**
নিজ-নমাটি, নলবাৰী

কেতিয়াবা ক'ব খুজিছানে নোকোৱাখিনি
যিখিনি ক'লে হয়তো বাঢ়ে হেঁপাহৰ পৰিধি
হেঁপাহবোৰ জী উঠে পূৱৰ সুৰুযৰ দৰে

নোকোৱাখিনিয়ে কেতিয়াবা বিচাৰি যায়
নৈপৰীয়া সুৰুজৰ হৃদয়ৰ মৌন ভাষা
মৌনতাৰ কোঠাত বহি কৰে
নোকোৱাখিনিৰ হিচাপ নিকাচ
হেঁপাহবোৰ জী উঠি ক'ব খোজে নোকোৱাখিনি
ফুলবোৰে খেলিব খোজে
ভোমোৰাৰ লগত
চকুৰে কথা ক'ব খোজে হৃদয়ৰ লগত

নোকোৱাখিনিয়ে কৰিব বিচাৰে
হৃদয়ত এভুমুকি মাৰি
জনাই দিয়াৰ লাজুকী প্ৰয়াস

নোকোৱাখিনিতো যে থাকে
ভালপোৱাৰ অদম্য স্পৃহা
নোকোৱাখিনি সহজতে ক'ব পৰাহেঁতেন
ভালপোৱাখিনিক সজাই পৰাই থলোহেঁতেন
ক'বলৈ,
কিমান ভালপোৱা থাকিলে
আলফুলে ৰাখি থ'ব পাৰি
আৰু কৈ দিব পাৰি
হৃদয়খন তোমাৰেই বুলি
নোকোৱাখিনিৰ মাজেৰেই !!!

# তুমিয়েই মোৰ জীৱনৰ প্ৰথম ভালপোৱা

**বন্তিৰীমা ফুকন শইকীয়া**
কাহিলীপাৰা, গুৱাহাটী

যিটো কাৰণত মই
আজিও আনক ভালপাব নোৱাৰিলোঁ
সেইটো কাৰণতে ভালপাওঁ তোমাক
তোমাৰ বাদে আন কাৰোবাৰ বাবে
মোৰ হৃদয়ত আসনৰ অভাৱ
মই নজনাকৈয়ে এদিন তুমি
মোৰ বুকুৰ চুবুৰীত
প্ৰেমৰ তাজমহল সজালা
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
বিলীন হৈ পৰিলা
একাত্মতা গঢ়িলা
নদী আৰু পানীৰ দৰে
মৰহি যোৱা দেহত চতিয়াই দিলা
একাজলি প্ৰেমৰ সঞ্জীৱনী সুধা
তাতেই মই বিচাৰি পালোঁ
জীয়াই থকাৰ অসীম প্ৰেৰণা
তুমি হয়তো ভাৱিব পৰা
শব্দৰ মায়াজাল গুঠি
কবিতা লিখাতো মোৰ এটা নিচা
কিন্তু বিশ্বাস কৰা
তুমিয়েই মোৰ জীৱনৰ
প্ৰথম ভালপোৱা
তাক মৰহী যাবলৈ নিদিবা
তোমাৰ দুবাহুৰ আলিঙ্গনৰ স্মৃতিৰে
আজিও সেউজীয়া হৈ আছে
মোৰ হিয়াৰ দুখৰ উপত্যকা !!!

# আবতৰীয়া

ৰাম প্ৰসাদ ৰাভা
ভি আই পি ৰোড, গুৱাহাটী

শাৰদীয় বতৰৰ ফৰকাল আকাশত
নাই শুকুলা মেঘ
নেদেখো
উৰি যোৱা শৰালি হাঁহৰ
জাক অনেক

পুৱতি ৰাতিৰ সুগন্ধি
শেৱালি নুফুলে আজি
ভয়তে আছে কুচি মুচি
শেৱালিৰ গোন্ধতকৈও উগ্ৰ
বোমা-বাৰুদৰ গোন্ধ
যিয়ে আগুৰি আছে
মোৰ দেশ সমগ্ৰ

পূৰ্বাচলৰ সূৰুযেও
কঢ়িয়াই নানে আশা-ভৰষা
বিলাই দিয়ে মাথোঁ
নিৰাশা আৰু হতাশা

সদা উজ্জ্বল আইতাৰ মুখ খনি
আবতৰীয়া এচপৰা কলামেঘে
ধৰিলেহি ছানি
আবতৰীয়া বৰষুণৰ নাই শক্তি
বুৰাবলে গোটেই ধৰণী

সেয়া আইতাই যে
ভালকৈয়ে বুজে!!!

# কোলাহল

**পৰশমণি কাশ্যপ**
ৰামপুৰ, দক্ষিণ কামৰূপ

শুই উঠাৰ পৰাই হিচাপ নিকাচ
অথচ বেলি লহিয়ালেই শেষ
এনেকৈয়ে কথাবোৰ

কোনোবাই ক'লে
চিএঞৰি কথা কৈ লাভ নাই আজিকালি
সঁচা কথা ক'বলৈ কাৰো সাহসে নুকুলাই

বাক্ স্বাধীনতা মাথো এটা অজুহাত
মুখ খুলিলেই আপুনি হৈ যাব পাৰে সমাজদ্ৰোহী

আবেগৰ নদী বৈ যোৱা চহৰত
আপুনি হব পাৰে নিসংগ
কোনেওতো বুজি নাপায়

পানী ৰঙী চিত্ৰত মাথো হুমুনিয়াহ

আপুনি মাথো চাই ৰওক
আপোনাক দেখিলেই হাতবাউলি মাতিব
লাভ নোহোৱা কথাবোৰেই
এতিয়া এই চহৰৰ ৰাজপথত
নানা ৰঙী মিছিল !!!

# বৰষুণৰ মাধুৰ্য

**ৰাজীৱ পাতৰ**
নিজ গেৰুৱা, মৰিগাঁও

টোপ টোপ বৰষুণৰ সুৰৰ লহৰত
আজি নাচি উঠে প্ৰাণ
জিল-মিল এন্ধাৰত
টিপ টিপ টোপালৰ
যেন সিও হৈ পৰিছে
এটি সুৰৰ গান

ধিমিক ধামাক জ্বলে
বিজুলীৰ পৰশত সঘনে
বুকুখনি চিৰিংকৈ বাজি উঠিল হঠাতে
যেন দূৰণিৰ পৰা ভাহি অহা
এটি সুৰৰ গান

আস্ কি যে মধুৰ
যেন সৰি পৰা সৰগৰ
এটি পলকৰ সুবাস
নিতে নিতে দি যায় মোক
প্ৰেমৰ আভাস

বৰষুণৰ সুৰৰ ৰাগীত
আজি নাচি উঠিছে প্ৰাণ
সিও যেন এটি যুগৰ গান!!!

# হেৰোৱা শব্দ !

বিতোপন বৰদলৈ
গুৱাহাটী, কামৰূপ (ম)

চিয়াহীৰ অভাৱত তোমালৈ বুলি
লিখা চিঠিখন
আধৰুৱা হৈয়ে ৰ'ল
চিয়াঁহী আনোঁগে মানে দেখোন
শব্দবোৰ হেৰাই গ'ল
সযতনে থৈছো আধৰুৱা চিঠিখন
লগ পালে লিখিম বুলি
দুয়ো একলগে
হয়তো শব্দবোৰে পোখালি মেলিব
তোমাক দেখাৰ লগে লগে
তোমাৰ হাতৰ পৰশত ঠন ধৰি উঠিব
বুজা-নুবুজাৰ সাথঁৰ বোৰে
শুনিছোঁ তুমি আন কাৰোবাৰ
চিঠিৰ শব্দ হ'লা।
বিলাই দিলা তোমাৰ অভিমানবোৰ
নিগৰি অহা দুচকুৰ
প্ৰেমৰ লোতকেৰে
মোৰ হেৰোৱা শব্দবোৰেও প্ৰাণ পালে
তোমাক হঠাৎ দেখা পাই
কৃষ্ণচূড়াৰ তলত
এক নতুন ৰূপত।।

# ভাৰাঘৰ

**দুলুমণি দেৱী**
মাকুম

পুৰণি ভাড়াঘৰটোত জড়িত
আছিল বহু মিঠা স্মৃতি
একেখন ঘৰৰ সদস্যৰ দৰে কটাইছিলো
সন্মুখৰ মানুহখিনিৰ লগত

প্ৰত্যেকটো ৰুমৰ দৰ্জা-খিৰিকীবোৰ
আছিল বৰ আপোন
তাতকৈও আপোন আছিল
গছ-গছনিবোৰ
ঘৰটো এৰি আহিব দিনা
নিজহাতে ৰোৱা গছকেইজোপাই
কৌতুহল দৃষ্টিৰে চাইছিল

অনুভৱ হৈছিল গছকেইজোপাই
যেন চকুলো টুকিছিল
মোৰ অন্তৰআত্মাও কঁপি উঠিছিল
সিহঁতক বাৰু প্ৰতি পালন
কৰিবনে কোনোবাই ?
নে তাৰ ওপৰত ওখ ওখ
অট্টালিকাই আবৰি ধৰিব
আৰু ভাবিব নোৱাৰিলো
বহুকেইখন ফটোকে তুলি ল'লো
গছকেইজোপাৰ
নীলা পৃথিৱীৰ সেউজীয়া ছবি

প্ৰকৃতিৰ সপোন মন ফুলনিৰ
য'ত আছিল বহু
সেউজীয়া সপোন
সেউজীয়া স্মৃতি
মাজে মাজে গছকেইজোপা
চাবলৈ যাম মনতে ভাবিলো
আৰু এখোজ দুখোজকৈ
নতুন ঘৰটোলৈ ৰাওনা হ'লো।।

# প্ৰেমিক চৰাই মই

হাইছ উদ্দিন আহমেদ
নগাঁও

মই আছো জীয়াই তোমাৰ বাবে
তুমিও জীয়াই আছা মোৰ বাবে
তুমিও থাকিবা সিমানদিন
যিমান দিন মই জীয়াই থাকিম
সপোনবোৰ যাব বহু দূৰ
তুমি নিবা মোক যিমান দূৰ
তুমিয়েই মোৰ প্ৰিয়তমা
মোক এৰি তুমি কেতিয়াও নাযাবা
মোক তুমি কেতিয়াও বেদনাৰে কষ্ট নিদিবা
মোৰ জীৱনৰ সপোনবোৰক ভাঙি নিদিবা
তুমিতো জানাই,
মই যেতিয়া টোপনিত থাকো
সপোনত কেৱল তোমাকেই দেখো
মই যেতিয়া সাৰে থাকো
কল্পনাত তোমাকেই বিচাৰোঁ
অদূৰত অকলশৰীয়া কৰি থৈ
কেতিয়াও মোক এৰি নাযাবা
দূৰত্ব বঢ়াই, মোক এৰি
মোৰ জীৱনৰ ভালপোৱাৰ
সপোনবোৰ এনেকৈ এৰি থৈ
মোক চকুলো টুকিব নিদিবা
সপোনবোৰ সপোন হৈয়েই থাকিব নেকি!
মোৰ জীৱনৰ সকলো আশা, ভৰসাৰ
সেয়াই আজি সত্য হ'ব নেকি বাৰু
মোৰ জীৱনৰ এয়াই কাহিনী নেকি বাৰু!

**তৃতীয় ভাগ**

**সম্পাদনা**

এছ আহমেদ



# জোনাকৰ প্ৰেম

**মামনি বড়া**
নগাঁও

তৰাবোৰ প্ৰেমত পৰিছে,
জোনাকৰ প্ৰেমত
শৈশৱৰ দিনৰ মধুৰ
আৰু অবাক-আকুলতাক
চন্দুকত থৈ যৌৱন বাগৰ
সলাই গোপনে গোপনে।
যৌৱনক মলয়াৰ
পছোৱা বতাহে গুণ গুণাই
কৈ গ'ল, এতিয়া সময়
মাথোঁ প্ৰেমৰ
আন্ধাৰকো বাট দেখুৱাব পৰা
জোনাক ভৰা হেঁপাহৰ নিচান,
ই জ্বলি থাকে প্ৰতিটো
কেঁকুৰিতে একুৰা জ্বলন্ত শিখা হৈ।
তথাপি কিন্তু প্ৰেমৰ দিনত
জোনাকৰ এখন সমুদ্ৰৰ বাহিৰে
নাথাকে নিকা হৃদয়।
মতলীয়া যৌৱনৰ ৰাগীত
পাহৰি নাযাবা
আকাশখন মাথোঁ এখন দাপোন হে,
জোনাকবোৰ, তৰাৰ প্ৰতিটো
উশাহত জ্বলি উঠা
উৎসৰ্গিত হৃদয়ৰ শিখা
প্ৰতি পলে জ্বলি থাকিব
প্ৰেমৰ অনিৰ্বাণ
প্ৰতিশ্ৰুতি হৈ।

# জীৱন ৰথৰ চকা

**দ্বীপেন চৌধুৰী**
বহৰি সত্ৰ,বৰপেটা

আবেলিৰ বেলিৰ ৰঙীণ পোহৰত
ভৰা লুইতৰ পানীবোৰে ৰং সলাইছে
চৰাইবোৰে উলাহতে নাচিছে বতাহৰ সতে
নীলা আকাশৰ শুকুলা মেঘবোৰে
হিমালয়ৰ হিমেৰে ঢকা শিলৰ দৰে
শুভ্ৰতাৰ বুটাবচা বসন পিন্ধিছে ।
নীল আকাশত উলাহতে উৰিছে গংগা চিলনী
কিযে বিনন্দীয়া ৰূপ মনপ্ৰাণ ভৰি পৰিছে
জীৱন্ত হৈছে উতনুৱা হৃদয়ৰ অলেখ সপোন
উশাহত উজলি উঠে মনৰ আশাবোৰ
নিশাহত বৈ যায় ভাগৰুৱা অতীতবোৰ
সুখ দুখৰ প্ৰতিটো স্মৃতিয়ে আশাৰ প্ৰদীপ হৈ
জ্বলি আছে জীৱনৰ প্ৰতিটো ক্ষণত।
জোন, বেলি, তৰাৰ পোহৰত আশাৰ ছবি আঁকি
বৈ আছোঁ জীয়াই এগচি বন্তি হৈ নিৰৱে।
কঠিন বাস্তৱৰ দুৰ্বাৰ তাড়নাত কেতিয়াবা
পথভ্ৰষ্ট হ'ব খোজে জীৱন ৰথৰ চকা।
সেয়েহে বাৰুকৈয়ে ভয় হয় অজানিতে
কেতিয়াবা লক্ষ্যপথ সলনি হয় নেকি ?
জীৱনৰ গতিশীল দুৰন্ত নাওঁখন।

# তুমি কৃষ্ণচূড়া হৈ ফুলি আছা

প্ৰদীপ কুমাৰ নায়ক
নলবাৰী

তুমি কৃষ্ণচূড়া হৈ ফুলি আছা
মোৰ আন্দোলিত বুকুত ,
কোমল ৰ'দৰ মূৰ্চ্ছনাত
সমীৰণৰ মৃদু স্পৰ্শত
লাৱনী দেহৰ ভাঁজত
তুমি যেন মনমোহিনী ,
টিক টিকীয়া ৰঙা ওঁঠৰ
ভূৱন ভুলোৱা হাঁহি....

সেউজীয়াৰ আঁৰে আঁৰে
হেঙুলীয়া আভাৰ শোভা
তুমি সৃষ্টিৰ হিৰন্ময়ী প্ৰভা
তেজে তেজে ফুলি উঠা
এজোপা ৰঙা কৃষ্ণচূড়া।
তোমাৰ বাবে মোৰ সৃষ্টি
তুমি ৰঙ সিঁচি সিঁচি
ৰঙীন কৰিলা দুচকু ..।
মোৰ এই অনুপমা পৃথিৰীত
তুমি কৃষ্ণচূড়াহৈ ফুলি আছা
মোৰ ৰক্তিম বুকুত ...

# জীৱনে কি বিচাৰে

নাছিৰ আহমেদ
গোৱালপাৰা

ৰাতিৰ গভীৰতা আগবাঢ়ি আহি
মোক লৈ যায় সেই মুহূৰ্ত্তলৈ;
য'ত বিশ্ব-প্ৰকৃতিৰ বুকুত
হৃদয়ৰ অফুৰন্ত আশা।

সাৰ পাই উঠে
শকুন্তলাৰ অন্তহীন প্ৰতীক্ষাৰ
বিৰহ-দুৰ্ব্বাসা, বিধূৰ নিশা

কিন্তু, বাস্তৱতাৰ জীৱন্ত মূৰ্তি
দুৰ্বাসাৰ নিষ্ঠুৰ অভিশাপত
হেৰাই যায় জীৱনৰ ৰূপ- ৰং
শকুন্তলাৰ বুকুত ভৰি থাকে
কৰুণতা মাথোঁ কৰুণতা;

যেতিয়া পাহাৰীয়া বন্যাৰ দৰে
এজাক হৰিদ্ৰা নীলাভ প্ৰজাপতি
উৰি যায় স্বপ্নীল গতিত;
মোৰ হৃদয়ৰ মুক্ত আকাশত
মধুৰ স্পৰ্শ লাগে
মোৰ অনামিকা প্ৰিয়াৰ;
আবেগত ভৰি যায় মোৰ সমস্ত হিয়া।

আকৌ যেতিয়া আহে উঠি
এজনী অৰ্ধ- উলঙ্গ নাৰী
মোৰ অৱচেতন মনৰ আৱৰ্জনা পাত্ৰৰ পৰা;
মই চাই থাকোঁ
অবাক নিৰ্বাক দৃষ্টিৰে

তেতিয়া নিমগ্ন হওঁ
নিৰ্জনতাৰ সাগৰ তীৰত ।
দুখ আৰু বেদনাৰ উন্মত্ত ঢৌবোৰ
উথলি উঠে
মোৰ হিয়াৰ নিভৃত কোঠাত
জীৱনৰ গভীৰ বাটত
আনন্দ আৰু তৃপ্তিবোৰ
অস্বচ্ছ ধূসৰ স্মৃতিৰূপে
খেদি আহে মোৰ মনৰ বনত;
আৰু গুলিবিদ্ধ চৰাইৰ দৰে
ছটফটাই মৰোঁ মই
ৰক্তাক্ত দেহ লৈ।

# নতুন দিগন্ত

সীতা দেৱী
বিহপুৰীয়া, উত্তৰ লখিমপুৰ

আভিৰ্ভাৱৰ প্ৰতীক্ষাত নতুন দিগন্ত,
কালৰাত্ৰিৰ অলেখ ক্ষণৰ অন্ত।
মাজনিশাৰ তিমিৰ ভেদি,
নতুন প্ৰভাতৰ পম খেদি।
আজন্ম উত্ৰাৱল হৈ ঘূৰি ফুৰিছোঁ,
ৰামধেনুৰ সাতোৰঙ সাৱটি ধৰিছোঁ।
জীৱনৰ কক্ষপথৰ অস্তিত্বৰ সন্ধানত,
সাঙোৰ খাই পৰিছোঁ ঐক্যৰ বান্ধোনত।
মানৱতাৰ জয়গানৰ বিশালতা,
নিঃসংগতা, জঠৰতা আঁতৰাই সংকীৰ্ণতা।
নিঃশব্দ কোমল বৰ্ণালী,
বিশ্বত শান্তি আৰু নিৰাপত্তাৰ জোনালী।
দীপ্ত যৌৱনৰ উত্তাল তৰংগ চিৰন্তন,
আত্মহাৰা, বিচিত্ৰ গৌৰৱ জীৱন।
বিস্ময় জ্যোতিষ্মান আলোক,
বিয়পি উজলি উঠক গোলক।
মৃত্যু ঘন্টাৰ বিভীষিকা মাৰি মৰক
আতংক, ভয়, শংকা আঁতৰক।
নতুন সূৰ্য জ্বলি উঠক,
সন্ধিয়া ডবা কাঁহ মংগল ধ্বনি বাজি উঠক।
শান্তিৰ নিজৰা বৈ আহক,

# নদী আৰু নাৰী

জয়া ৰৌফ
মেঘালয়

নৱ যৌৱনা গাভৰু নদীখন
যেতিয়া উপচি পৰে,
তেজাল তীক্ষ্ণ চুম্বকত্ব তৰংগবোৰ
ভাঁহে অধৰত ন-ৰঙেৰে
ললিতৰ লাভা নিগৰে, পদূলিৰ মেকুৰীৰ
আৱেশিত কামনাৰে
বাসনা দীপ্ত তাৰ চমকপ্ৰদ
দুচকুৰ দুধাৰিত অনায়াসে
সাঁতুৰিব নজনা জনেও, সাঁতুৰিব বিচাৰে
তথাপি প্ৰতিবন্ধী নদীখনে
অমৰ আটলান্টিক মহাসাগৰৰ ফালে
অবিৰত বৈ থাকে
বতাহৰ দপদপনিৰ কোবালত
কোচ খাই নিমিষতে তীব্ৰ সোঁতৰ হাতত ধৰি
গতি কৰে।
চৈতালীৰ পিয়াহ, সান দিয়া কাঁচিত ৰসাল ব্যঞ্জন
আৰু বিদ্যুতৰ চুম্বন
ক্ষতবিক্ষত ৰীতি-নীতি
তথাপি আশাৰ ওঁঠত শৰ সলাই তেজেৰে
বিলায় স্খলনৰ তৃপ্তি।

# কোন পথৰ যাত্ৰী মই

মাৰজিয়া আহমেদ
নগাঁও

কোন পথৰ যাত্ৰী মই ... ?
নাই লক্ষ্যস্থান
খোজে খোজে পদাঘাত পায়ো
বিৰামহীন গতিত আগবাঢ়ো
নতুনত্বৰ সন্ধানত...
সময়ৰ সোতে সোতে আয়ুস শেষ হয়
নিজৰ সুঠাম দেহাটো যেন
লাহে লাহে অৱকাশ হৈ
অস্তগামী সূৰুযৰ দৰে
অন্ধকাৰত নিৰৱ হৈ
জীৱনৰ যৱনিকা পেলাই যায়।
আধৰুৱা সপোনবোৰ আধাতেই এৰি
জীৱনে খোজ দিয়ে অচিন পথত
নেদেখা নজনা সেই পথবোৰনো কেনে হয়
তেৱেঁই জানে...
যিজন এবাৰ গৈ
সেই পথৰ বতৰা লৈ
দুনাই উভতি অহা নাই!

# শিক্ষাৰ যাত্ৰাত মই

শ্ৰৱণ বৰবৰা
যোৰহাট

পৰা নাই ভাগৰি কোনো দিন
লাগি আছো একাগ্ৰতাৰে জ্ঞান আহৰণত
অৱহেলা কৰা নাই কোনো দিন...
শিক্ষাগুৰুৱে দিয়া ঘৰুৱা কামত
শ্ৰদ্ধা কৰো মই মোৰ জ্ঞানমন্দিৰক।
লগৰীয়াৰ সৈতে হাঁহি খিলখিলনি
নানা হাস্যৰসৰ বাৰ্তাত পাহৰি যাওঁ...
শিক্ষাগুৰুৰ চেকনিৰ কোবটো।
শিক্ষাগুৰু ৰঙা দুচকুত কঁপি উঠে বুকু
হৈ উঠে চকু চলচলিয়া ...
ততাতৈয়াকৈ ঢাপলি মেলো কিতাপৰ মাজলৈ।
মন নাযায় যদিও স্কুল ছুটিত ঘৰমুৱা হবলৈ
লগৰীয়া পিঠিত ঢকিয়াই
বহু আঁতৰলৈ বিদায় দি...
আহি পাওঁ নিজ ঘৰলৈ।
পুনৰ বহি যাওঁ পঢ়া টেবুলত
শিক্ষাগুৰুৱে দিয়া ঘৰুৱা কামত।
হৈ পৰো পঢ়াত ব্যস্ত ...
নিয়মিত কৰি যাওঁ নিত্যকৰ্ম।
সমাজৰ সুনাম কঢ়িয়াই অনা
এটি লক্ষ্য বুকুত বান্ধি।

# ব'হাগ বিহু

জোনালী হাজৰিকা (জিলমিল জোনালী)
ৰৌতা, ওদালগুৰি

বিহুটি আদৰৰ
বিহুটি চেনেহৰ
বিহুটি হেপাহৰ ধন,
কুলি কেতকীৰ মাতত
ৰবকে নোৱাৰি
ৰাই জাই কৰে মোৰ মন।

গছে পাত সলালে
নতুন সাজ পিন্ধিলে
পাতৰ আঁৰত গছৰ ডালত
কুলিয়ে বিনাইছে
বসন্তক আদৰি
সুৰীয়া মধুৰ ছন্দত।

ঋতুৰাজ বসন্ত আহিছে
ডিঙিত মেৰিয়াই
হেঁপাহৰ বিহুৱানখন
চেনেহৰ বিহুটিক আদৰিবলৈ
প্ৰেয়সীৰ খোপাত কপৌ ফুল
গুজিবলৈ মন।

ব'হাগতে প্ৰিয়জনক বিচাৰি
মাজৰাতি কেতকীৰ
হিয়া ভগা বিৰহী হাবিয়াস
প্ৰকৃতিৰ কোলাত
ব'হাগত ন-জোনৰ পোহৰত
ডেকা- গাভৰুৰ আনন্দ উল্লাস।

লঠঙা ফাগুনৰ গাতে আউজী
ঢোল পেপা গগনা টকা
বসন্ত কালত ৰজনজনাই,
ওঁঠত বহমথুৰি লৈ
মুগা সাজত নাচনী
সাজিকাঁচি আহে ওলাই।

চিৰ চেনেহী আমাৰে বিহুটি
গামোচা খনিৰ আপোন ভাবে
ৰাখে অসমীয়াৰ সন্মান
বিহুটি অসমীয়াৰ প্ৰাণ
কাললৈ থাকিব নাম
গাবই লাগিব অসমীয়াই বিহুগান।

# মৰানদী বয় নিৰবধি

**গুণজিৎ শইকীয়া**
বৰপেটা

মৰানদী নহয় মৰা
দুই পাৰে তৰু তৃণ সেউজীয়া
ব্যস্ত মানুহৰ ৰহঘৰা
অদূৰত পথ উপপথ
যান বাহনৰ সৰৱ সঞ্চালন

মায়াময় জীৱনৰ সাক্ষী
সুখ দুখ হাঁহি কান্দোনৰ সঁফুৰা
সুবিশাল জনাৰণ্য দুই পাৰ

মৰানদীয়েও হাঁহে
খৰালিত চাউলখোৰা চুমে
বাৰিষাত নখান্দালৈ ঢপলিয়ায়
ভৰপুৰ যৌৱনে চমক খুৱায়

কান্দোনতো আমাৰ বুকু ভাঙে
বানে যেতিয়া গৰকি যায়

মৰানদী প্ৰাণৱন্ত সদায়
মগ্ন সি নিৰন্তৰ
আমাৰ সুখ দুখৰ বাতৰি বিলাই
উজ্জীৱিত কৰি ৰাখে
আমাৰ আশা আকাংক্ষা
উজ্জীৱিত কৰিছে আমাৰ প্ৰেৰণা

সজীৱ বৰপেটাৰ
বৰ্ণিল জীৱনৰ সহযাত্ৰী হৈ
মৰানদী আজিও বয় নিৰবধি।

## চতুৰ্থ ভাগ

**সম্পাদনা**
জোন বৰা



# জঁট লগা সময়

**সাধন নাথ**
তেজপুৰ

মনৰ তুলিকাৰে
মৰসাহ কৰি বুকুত বান্ধিছো ধৈৰ্য্য
বাউলী বতাহত শব্দৰ ফুল বিচাৰি
তুমি বিষাদ হোৱাৰ সময়ত
হৃদপিণ্ডত জঁট !!

শিল কটা মানুহজনে
তৈয়াৰ কৰে এটি ঋতুবৰ্ণন তেজোদ্দীপ্ত সূৰুজ...

আঘোণৰ ধূলিয়ৰি বাটত
প্ৰত্যাশাৰ সাঁচিপাতৰ ৰঙত
এচেৰেঙা ৰ'দালিয়ে লুকাভাকু খেলে
সুৰুজৰ স'তে সপোনে সহবাস কৰে!!

বৃষ্টি সৃষ্টিৰ পৰন
নদীখনত আশাৰ ঢৌ
শিলাময় বুকুত স্বপ্নভংগৰ বোজা!!

অনুভৱী লিপিকাৰ ফাগুনৰ হালধীয়া সৰাপাত...

অস্তগামী সুৰুজত,
হেঙুল দিপ্ত ৰঙা সেন্দূৰীয়া বাট
সুখেই,হওক বা দুখ
জীৱন মাথোঁ এক যোজন বাট!!!

# জোনাকৰ শেতেলীত মিতিৰালী

**ৰাণু গগৈ**
শিৱসাগৰ

জোনাকৰ শেতেলিতে
মোৰ মিতিৰালি!
আন্ধাৰ মোৰ মধু যামিনী!
ভাৱৰ অৱকাশ হেৰায়!
সেয়ে ভাল পাওঁ মই
জোনাকৰ শেতেলিত
শুভ্ৰ দলিচাত লওঁ জিৰণি
আন্ধাৰ-পোহৰৰ দোমোজাত
তোমাক দেখো ছঁয়াময়া চুপহি কিয় আনমনা হৈ থাকা
সেমেকা চকু যুৰিৰে!!
চোৰাচোন এবাৰ ঘূৰি!
আছোহি বৈ এই পূৰ্ণিমা ৰাতি
এবাৰ হাঁহি দিয়া চোন!
চকুত চকু ৰাখি
ময়ো আহিলো ওলাই
তোমাৰ সতে বিলিন হম বুলি!
দুখৰ দুলনি আৰু নজ্বলাবা!
হাঁহিৰে জীৱন জয় কৰা!
আছে দুখ-বিষাদ
নহলেযে জীৱন বিফল জানা!
সেয়ে জোনাক ভাল পাওঁ
আৰু কি জানা?!
দেখো বুলি তোমাৰ!
উজ্জ্বল নয়ন যুৰি!
নিচেই কাষৰ পৰা
য'ত থাকিম তুমি আৰু মই
কথা হ'ম হিয়া ওপচাই
মোৰ মেঘালী চুলিটাৰি!
দিবানে হাত বুলাই
বহু আশা-আকাংক্ষ্যা
অজানিতে চকুত ভাঁহি থাকে
তোমাৰ হাঁহি ভৰা মুখখনি!
আৰু উমাল বুকুখনি!
আহা আমি খোজত খোজ দিওঁ
জোনাক ৰাতি।

# আবতৰীয়া

**বীণা বৰুৱা**
ৰঙিয়া

অভিমান নকৰিবা
তোমাৰ অভিমানত
মোৰ চকুলো সৰিব।
আকাশতো মেঘে
গিৰ্জনি মাৰিব ফলত
এজাক আবতৰীয়া
বৰষুণে মোক তিয়াই যাব
এই ঠাণ্ডাত বুকুত
সাৰটি লবলৈ তুমিতো
কাষত নাই!
মোৰ জ্বৰ উঠিলে
কোনে মোৰ ওচৰত বহি
মোক চাই থাকিব?

তোমাৰ দুচকুত উপচি থকা
মৰমবোৰ মোৰ বাবেই নহয় জানো?
মোৰ হিয়াত সপোনবোৰ
ফুলি উঠে তোমাৰেই মৰমৰ আব্দাৰত!
তুমি জানো অনুভৱ নকৰা?
মোৰ হৃদয়ৰ শূন্যখিনি?
সপোনতেই আঁকিছো তাত
কেৱল তোমাৰ ছবি।
তুমিবিহীন সময়বোৰ
নিস্প্ৰাণ মোৰ।

মইতো তোমাক চুই থাকো অনুভৱতেই!।
তুমিও এবাৰ মোক চুই চোৱানা?
মোৰ হৃদয়ত মৰহি যোৱা
সেউজীয়াবোৰ পুনৰ
তোমাৰ স্পৰ্শত প্ৰাণ পাই উঠক।
নেলাগে তুমি দৃশ্যমান হ'ব।

অনুভৱত তো মই তোমাৰ
উশাহ নিশাহৰো উমান পাওঁ।
তুমি যে মোৰ বুকুৰ আপোন!
দূৰত্ব যিমান নহ'লেও
পাৰিবা জানো মোক
পাহৰি আনক আকোঁৱালি লব?

জানো তুমি য'ত আছা তাত
যিমানেই ধুনীয়া পৰী নাথাকক
তোমাৰ হৃদয়ত মোৰেই
ছবি জিলিকি থাকিব।
কিন্তু....
তুমি অবিহনে ময়ে যে
এতিয়া থাকিব নোৱাৰো।
মোলৈ মনত নপৰে?
কেনেদৰে আছা বাৰু তাত
আমি নোহোৱাকৈ?
আছা ক'ত???
উফ!
ঠিকনাটো দিয়া না তোমাৰ?
হিল-দল ভাঙি দৌৰি যাম তালৈ।

# শিলগুটি

**বিজু ফুকন কলিতা**
মঙলদৈ

বাটৰ শিলগুটিৰ দৰেই
মোৰো অস্তিত্ব
কিয়নো,
বাটৰ শিলগুটিৰ দৰে
মোকো থৈ যায় গচকি
নাইবা গোৰ মাৰি পেলায় নাদত।
কিন্তু শিলৰ বুকুতো আছে ইতিহাস,
আছে অলেখ জীয়া কাহিনী
শিল্পীৰ হাতৰ পৰশত
সেই শিলত খোদিত হয় অনেক ভাস্কৰ্য্য।
সেয়ে নাই মোৰ কোনো আক্ষেপ
নকৰোঁ কোনো দুখ বা সন্তাপ
মাটি কলহৰ দৰেই ভাঙি যাব
সিঁহতৰ সেই তিৰস্কাৰ
কাৰণ,
শিলৰ বুকুতেই লিখিব পাৰি
সত্যম শিৱম সুন্দৰম।

# ইয়ে ব্ৰহ্মশক্তি সিদ্ধ বিজয়ৰ বীৰ্য্য

**প্ৰণৱ ৰঞ্জন শইকীয়া**
যোৰহাট, লাখুটীয়া গাঁও

সূৰ্য্যৰ স্বৰ্ণালী লক্ষ্যৰে উঠলি উঠিলে
শৌৰ্য্যদীপ্ত বিজয়ৰ ধীমান ধৈৰ্য্যশীল বীৰ্য্য
অবিচল প্ৰতিজ্ঞান প্ৰসাৰী
অভিনিৱিষ্ট অধ্যৱসায়ী কাৰ্য্য কৰ্ম সম্পাদনৰ
তীব্ৰ ইচ্ছা শক্তিসিদ্ধ ক্ৰিয়াশীল শক্তি
স্বতঃস্ফূৰ্ত জাগৰেণেৰে জাগ্ৰত হৈ
স্বৰ্ণোজ্বল মাৰ্গৰে উত্তৰণ হোৱাটো অনিবাৰ্য

অবিচ্ছিন্নতাৰে আহিলেও আগবাঢ়ি
সন্মুখৰ পথ ধুসৰিত কৰি
সমস্যাময় সময়ৰ ধুমুহাময় প্ৰবল প্ৰতিকুলতা
সূৰ্য্যৰ শৌৰ্য্যৰে বিজয়ৰ বীৰ্য হ'ব অনিৰুদ্ধ

পৱন বিজয়ী সত্যনিষ্ঠ সুস্থিৰ মনৰ লক্ষ্য
সত্য সুন্দৰ সৌন্দৰ্য দীপ্ততাৰে নিত্য সাধনমগ্ন
সৰ্ব প্ৰতিবন্ধক ৰুদ্ধতা স্তব্ধতা ত্ৰস্ততা
পলে অনুপলে পদে পদে য'ত পৰাজিত

প্ৰেম প্ৰজ্ঞা পল্লৱিত ধৈৰ্যনিহিত এই সূৰ্য্য লক্ষ্য
কন্টকাকীৰ্ণ কুটিলতাৰে কৰিবলে অবৰুদ্ধ
কোনো শক্তিৰেই নাই কোনো সাধ্য
ইযে ব্ৰহ্মশক্তি সিদ্ধ বিজয়ৰ বীৰ্য্য।।

# লৃগাঙে টুকুৰিয়াই দিছে হৃদয়ত

অমিলতা টায়ে মিলি

আজন আঘোণ আহি গ'লগৈ
সোণোৱালী পথাৰত নৰাৰ চকুলো
পুহমহীয়া জাৰত নিয়ৰ হৈ নিগৰিছে
চেঁচা বতাহত ঠৰঙা লাগি।

মাঘৰ মেজিৰ উত্তাপে ঠৰঙা শৰীৰ
উমাল উম দিলে দেহা শাঁত পৰিল
সতেজ হ''ল ভাগৰুৱা মন।

আজন চৌদিশে আমোলমোল সুৱাস
নৈৰ পাৰৰ চিনাকি তৰাপাতৰ
মলয়াৰ সতে বৈ বৈ সুগন্ধি বিলাইছে।
উলাহত পানৈ জনীৰ দৰে ৰাংঢালী হ'ল।

লাহেকৈ ফাগুনৰ পচোৱা বলিল
গছেবনে কুমলীয়া সেউজপাত
পলাশ মদাৰ ফুলিল
পানৈৰ কাজি হাতেৰে জংকিলৈ
ঙচিগ গামিগেৰে মিবু গালুক
গন্ৰ উগন বৈ উলিয়ালে
বুকুৰ জোখাৰে দুহাতেৰে চিলাই দিলে
লৃগাঙৰ দিনাই পিন্ধাই আচিন দয়িংবোৰ কব
গুপুতে সাঁচি ৰখা সপোনৰ কথা।

# শব্দবোৰ তেতিয়া

**কল্যাণ কিশোৰ নাথ**
টীয়ক, যোৰহাট

শব্দবোৰ তেতিয়া শব্দ হৈ নাথাকে
যেতিয়া বহাগৰ বা-লাগি
বৰদৈচিলা উৰে,
ঢিন্ খিতি, ঢিন্ খিতি ঢোলৰ মাতত
ডেকা-গাভৰুৰ দেহলৈ
যৌৱন নামে।

শব্দবোৰ তেতিয়া শব্দ হৈ নাথাকে
যেতিয়া শাওণৰ ৰ'দ লাগি
সেউজীয়াবোৰ গাভৰু হৈ পৰে,
ভৰুণ হৈ পৰে ৰৌদ্ৰস্নাতা সময়,
কৃষ্ণ বৰ্ণ প্ৰায় হয়
হালোৱা-ৰোৱনীৰ চপলা হাঁহিবোৰ।

শব্দবোৰ তেতিয়া শব্দ হৈ নাথাকে
যেতিয়া শৰতে শেৱালিৰ পাহিৰে
উচুপনি তোলে,
শুকুলা কঁহুৱাৰ চঞ্চল কঁপনিত
মনলৈ নীলিমাৰ জোৱাৰ উঠে,
হিয়া আমোল-মোল কৰে।

শব্দবোৰ তেতিয়া শব্দ হৈ নাথাকে
যেতিয়া ফাগুণৰ পচোৱাত
গো-বাটৰ ধূলি উৰে হেঙুলীয়া হৈ,
পথাৰৰ নৰা পচা গোন্ধত
মন ৰিঙা ৰিঙা লাগে,
ভাৱনাত পলাশৰ দলিচা পৰে।

# প্ৰেমৰ কণিকা

**ৰীমা দেৱী**
তেজপুৰ

মোৰ প্ৰতিটো উশাহত
তোমাৰ প্ৰেমৰ সুবাস জাগে
পুৱাৰ ৰ'দালি জাকেও আহি
 আমাৰ ভাল পোৱাত সঁহাৰি দিয়েহি
তোমাৰ দুহাতৰ পৰশত
মোৰ অন্তৰত অতৃপ্ত বাসনাৰ
জোৱাৰে দোলা দিয়ে
তুমি মই আজি দেখোন....
আগবাঢ়িও থমকি ৰ'লোঁ
নতুন জীৱনৰ প্ৰাক্ক্ষণতে।
ভবাটো নাছিলোঁ মই
প্ৰেমৰ মতলীয়া বা লাগি
কুকুহা উৰাদি
উৰিব লাগিব বুলি।।

# ঘৰ

তীৰ্থ ৰঞ্জন মহন্ত
তামুলপুৰ

ঘৰ মানেই মোজাইক খুওঁৱা চিকমিকনি নেকি?
ঘৰ মানেই বিশাল অট্টালিকা নেকি?
য'ত ওখ ওখ প্ৰাচীৰ থাকে ।

বহু অট্টালিকাত সপোন ভাঙে
বহু অট্টালিকাত এখন ঘৰ বিচাৰি হাঁহাঁকাৰ কৰিব লাগে।
ঘৰবোৰ ঘৰ হৈয়ে থাকিব লাগে।

তথাপিও যে কিছুমান অট্টালিকা কিম্বা প্ৰসাদত বিৰাজমান হৈয়ে থাকে
অহংকাৰ আৰু দম্ভতাৰ
নীলা ছবি।
য'ত মানুহ হৈ পৰে
পণ্য সামগ্ৰী।

গ্ৰাম্য সমাজৰ জুপুৰীবোৰক ঘৰ বুলিব পাৰি নে ?
য'ত সুখ বুটলি অনাৰ অহৰহ সংগ্ৰাম চলিয়ে থাকে।
য'ত স্বকীয় চানেকি উজ্জ্বলিয়ে থাকে।
য'ত কীৰ্ত্তনৰ সুৰবোৰ ভকতি নিজৰা হৈ বৈয়ে থাকে।
চোতালৰ নামঘৰৰ
সন্ধিয়াৰ বন্তিগছি আশা হৈ জ্বলিয়ে থাকে।

কি নাথাকে জুপুৰীবোৰত !
থাকে সংস্কাৰ , মৰম,
সম্বন্ধৰ দলিচা।
সমন্বয় আৰু সংস্কৃতিৰ
অযুত মহিমা।
খুদকণৰ পৰা অমৃত সৃষ্টি কৰিব পৰা নিখুঁত দক্ষতা।
তাঁতশালৰ পৰা স্বকীয় সভ্যতাৰ চানেকি
ধৰি ৰখাৰ প্ৰচেষ্টা।

গাঁৱৰ জুপুৰীবোৰত কি নাই ?
আশা আছে
'আছে সপোন-সম্প্ৰীতি
-সংস্কাৰ।
ঘৰৰ সংজ্ঞা অট্টালিকা
নে জুপুৰি ?
ঘৰ মানে সভ্যতা, ঘৰ মানেই সৃষ্টিৰ বুনিয়াদ।
ঘৰ মানে সম্প্ৰীতিৰ সাঁকো।
বহু জুপুৰীত সপোন গঢ়ে
বহু অট্টালিকাত
সপোন ভাঙে।।
বিদুৰৰ গৃহত
কিয়েইবা নাছিল ?
দুৰ্যোধনৰ অট্টালিকাতনো কি আছিল !

# এজাক সপোনৰ আৱেশত

- - - - - **দিলীপ তাঁতী**
কঠালগুৰি, গোলাঘাট

তুমি –
নুসুধিবা মোক
মই, কেনে আছো বুলি?
সৃষ্টিৰ আত্মা ঢালি যাযাবৰ কৰি
পঠিয়াই দিলা মোক এই ধৰাৰ বুকুলৈ।
অনাথৰ গোন্ধটো
লাগি আছে মোৰ সৰ্বশৰীৰত।
নিজম ৰাতিৰ ভোকাতুৰ হৃদয়ত
বিচাৰি পাওঁ দুঃখৰ ঠিকনা।
কত যন্ত্ৰণা বুকুত সাৱটি
কঢ়িয়াই ফুৰিছো সুখৰ সন্ধান বিচাৰি।
পাপাসক্ত পৃথিৱীৰ
আমিবোৰ হেনো তেজস্ক্ৰিয়তাৰ ক্ষুদ্ৰাতি ক্ষুদ্ৰ অণু তুল্য।
সত্যৰ সন্ধানত
আত্মসন্ধিৎসুতাৰে মেলি দিওঁ বিবেকৰ দুৱাৰ।
মায়াময় সৃষ্টিত
নিজকে বিচাৰি পাওঁ ধূলি কণাৰ সদৃশ
অনন্তহীন যাতনাৰে
ভাৰাক্ৰান্ত শৰীৰত মনমগজু চোৰে
দগ্ধ হৃদয়ত
এজাক সপোনৰ সতে আত্মজ হওঁ।
পোৰা নোপোৰা বেদনাৰে
ভাৰাক্ৰান্ত মনৰ আকাশত
বিচৰণ কৰো আদিম সত্বাত।
জন অৰণ্যত বিচাৰি ফুৰো
মোৰ থকাৰ ঠিকনা।
ক'তে বা হেৰাল
মোৰ—
সেই আপোন ঘৰ, আপোনজন
নাপালো মই, মাতৃৰ অমৃত সুধাৰ তৃপ্তি।
ৰুদ্ধ দুৱাৰত অনাকাংক্ষিত সপোন দেখো।
তথাপিতো
তুমি——
এতিয়াও সুধিবা নে মোক
মই, কেনে আছো বুলি??

**পঞ্চম ভাগ**

**সম্পাদনা**
ব্ৰজেন কাকতি



# বৰ্ণিল অৰণ্যায়ণ

নৰৰূপ মজুমদাৰ
গুৱাহাটী

আন্ধাৰ নেওচি
কান্তাৰ ৰক্ষকগণৰ বিৰামহীন মিছিল,
জোনাকীৰ সতে জোৎস্নালোকৰ জিলমিল।
কুহেলিকা ভেদি অগ্ৰগামী যাত্ৰা
সমাজ পাতি আত্ম বিশ্লেষণ,
এজাক পৰুৱাৰ বৰ্ণিল অৰণ্যায়ন।
সিহঁতজাক বনদস্যুৰোধৰ অতন্দ্ৰ প্ৰহৰী
সেউজী বনানীলৈ যাঁচে অণ্ডকোষৰ অঞ্জলি,
বঢ়াব পীৰি, সজাব ধৰণী।
তহিলংকাৰীৰ দেহত হানিব বিষাক্ত দংশন,
কুটিল অভিসন্ধি ৰচকে অৰণ্য এৰি
পলাই পত্ৰং।
ক্লেদান্ত শৰীৰত মোক্ষম আঘাত হানি
নকৰে সিহঁতে ৰৌজাল-বৌজাল
কিয়নো এইয়া বিৰিখ বচোৱাৰ অভিযান ।
নাই অস্ত্ৰ শস্ত্ৰ, নাই বিস্ফোৰক দ্ৰব্য
আছে নিজৰ মাজত সম্পৰ্ক প্ৰগাঢ়,
মানৱ জাতিৰ তুলাচনীৰে নুজুখিবা
পৰুৱা যে তেনেই অসাৰ।
নিমাখিত বনানীক ৰক্ষা কৰিবলৈ
পৰুৱাই সকিয়াই বাৰাম্বাৰ,
শান্ত সমাহিত ভাৱে কয় পুনৰবাৰ
"নৈসৰ্গিকতাৰ প্ৰতি অনুৰাগ আমাৰ"।
"বৰ্ণিল অৰণ্যায়ন"( !)
আৰু নৰগণ ??

# আস্থাৰ গান

অৰুণীমা হাজৰিকা
আমোলাপত্তি, নগাওঁ

মোৰ মাটিৰ অনুভৱত
শব্দ, বৰ্ণ, ভাষাৰে নিৰ্মিত পংক্তি
কবিতাৰ অলংকাৰিক ৰূপেৰে
ওপজে নৱ-নৱ সৃষ্টি।

প্ৰাণৰ স্পন্দনত ওপজা
টুকুৰা টুকুৰ লিপিবোৰ
আশাবাদী...
পিয়লাত নাচে
শালীনতাৰ  সাজ পিন্ধি।

পৃথিৱীৰ বক্ষত খোদিত হওক
মাটি, পানী, প্ৰকৃতিৰ গান
নীচাত্মিকাৰ শিকলি ছিঙি
উৰক আত্মপ্ৰত্যয়ৰ নিচান।

সৃষ্টিৰ মৈদানত অৰ্পণ অঞ্জলি,
ক্ষুদ্ৰ প্ৰয়াস মাথোঁ আলোকৰ পথেদি।

# মুখা পুৰি ছাই হয়

নজৰুল ইছলাম
কৃষ্ণাই, গোৱালপাৰা

গছডালত পাতবোৰ নাথাকিলে বৰ দুখ পাওঁ
মোৰ বাবে ফাগুন সেয়া কেতিয়াও নহয়।
ফাগুনৰ নামত বিধ্বস্ত ৰণৰ আহ্বান
মহাযোদ্ধাৰ ঘোঁৰাৰ সস্তীয়া দাম
বজাৰত... !

মাজে মাজে বিজুলী যায়
আন্ধাৰত লিখি যাওঁ কবিতা,

কাকতি ফৰিঙৰ জাক
আন্ধাৰত লিখি যাওঁ কবিতা;

কাকতি ফৰিঙৰ জাক
আন্ধাৰৰ সুযোগত আগবঢ়ি আহে
কবিতাৰ পাতবোৰ ছিঙে।

জেপত ৰাখি থোৱা মমডাল জ্বলাই দিওঁ
মুখা পুৰি ছাই হয়...
চিনাকি মুখৰ খদমদম

# পিতাইৰ ৰং যোৰা চোলাটো

কমল কলিতা
হাজো

আলনাত ওলমি থকা
পিতাইৰ চোলাটোত চকু পৰিল,
ৰংটো প্ৰায় গৈছে

আইৰ বুকুত সোমাই ক'লো সকলো কথা,
আইয়ে কয়-
পিতাই হেনো খুব ভাল পায় সেইটো
সেয়ে লোৰা হোৰা নাই নতুন এটা

মই বুজিছিলোঁ
তেওঁলোকে মোক নোকোৰা কথাখিনিত আছিল
অভাৱৰ হাতোৰা

পিতাইৰ সেই চোলাটো
মই মাজে মাজে চুই চাইছিলোঁ
মনে মনে আবেগেৰে
মনে মনে আবেগেৰে...

# দ্ৰৌপদী, মোৰো ওৰে ৰাতি টোপনি ক্ষতি

অৰ্চনা দেৱী
দমদমা, শৰণীয়া, হাজো

দ্ৰৌপদী মোৰো ওৰে ৰাতি টোপনি ক্ষতি..
কাইলৈ যে শেষ পাশা খেল।
মোৰ ভৱিষ্যত, মোৰ দেশৰ ভৱিষ্যত
কাইলৈৰ পাশা খেলৰ অন্তত..।
সেয়ে টোপনি ক্ষতি দ্ৰৌপদী ওৰেতো ৰাতি।
বুকুত উমি উমি জ্বলিছে
ৰজস্বলা দেহাৰ ব্যথা...
ভীষণ উৎকণ্ঠা দ্ৰৌপদী।
কাইলৈ যে জীৱনৰ গতিপথ  নিৰ্ণয়।
দ্ৰৌপদী, বুকুত মোৰো তেজৰ কহুঁৱা।
কোনবাটে ৰৈ আছে
মোৰ স্বাভিমান হৰণৰ দুঃশাসন!
মোক মোৰ স্বাভিমান ঘূৰাই লাগে দ্ৰৌপদী।
তোমাৰ দৰে কান্দি কান্দি
প্ৰাৰ্থনা কৰাৰ ধৃষ্টতা মোৰ নাই,
সেয়ে টোপনি ক্ষতি দ্ৰৌপদী ওৰেতো ৰাতি।
পিছে, কাইলৈ নিশ্চয়কৈ আহিবা দ্ৰৌপদী-
দুঃশাসন সময় বোৰ সামৰি থ'ম,
ধুই পেলাম মোৰ জৰ্জৰিত দেহা।
সৰিয়হ ফুল হৈ ফুলিব
আই 'অৰ্ণমাই', 'নিৰ্ভয়া'
অথবা আন সকলো মোৰ বুকুৰ 'শেৱালি'।
কাইলৈ নিশ্চয়কৈ আহিবা দ্ৰৌপদী
এতিয়া আৰু নহয় টোপনি ক্ষতি
ওৰেতো ৰাতি।।

# পৃথিৱীক অলপ জিৰণি দিয়া

কৃষাংগী কলিতা
চান্দমাৰী ক'লনি, গুৱাহাটী

বিশ্ৰামহীন পৃথিৱীক আজি হয়তো জিৰণি লাগে-
সৌ তাহানিৰ পৰাইতো ঘূৰি আছে অবিৰত গতিত,
আজি গোটেই বিশ্ববাসী স্থবিৰ !
তথাপি পৃথিৱীৰ নিজস্ব ধাৰাবাহিকতা অক্ষুণ্ণ আছে,
গ্ৰহ নক্ষত্ৰতো ঘূৰিয়ে আছে-
জোন, বেলি, তৰা ওলায়ে আছে,
পৃথিৱী চিৰচৰিত গতিত চলিয়ে আছে,
ক'ৰবাত যদি কাৰোবাৰ জন্ম হৈছে,
আন ক'ৰবাত আকৌ কাৰোবাৰ মৃত্যু হৈছে ।
তথাপিও অনাকাংক্ষিত মৃত্যুৰ বিভীষিকাত মানৱ জাতি আজি ত্ৰস্তমান,
পৃথিৱীৰ ক্ৰোধ ৰোধিব পাৰিছোঁ জানো আমি ?
পাৰিছোঁ জানো আঁতৰাব
মানৱ জাতিৰ এই দোষৰ আৰ্তনাদ !
বিশ্বমানৱ শক্তি আজি পৃথিৱীৰ ক্ৰোধত ধাৰাশায়ী !
দুৰ্নীতি , ব্যভিচাৰ, অহংকাৰ এৰিবৰ হ'ল
বস্তুবাদী মানসিকতা আমাৰ আতঁৰাবৰ হ'ল।
দিবানে অলপ জিৰণি এই পৃথিৱীক ?
অলপ জিৰণি ল'বলৈ দিয়া।
পৃথিৱীৰ নিৰৱতাৰ সুযোগ লৈ আমিবোৰে চলোৱা ধ্বংস-যজ্ঞৰ
উচিত প্ৰত্যুত্তৰ পালোঁ আজি !

নিৰৱতাক দুৰ্বলতা বুলি নাভাবিবা,
নাভাবিবা সহনশীলতাক শক্তিহীনতা বুলি...
তাতেইতো লুকাই থাকে দুৰ্জ্জেয় শক্তিৰ ভঁৰাল।
পৃথিৱীক অলপ জিৰণি দিয়া,
জিৰণি ল'বলৈ দিয়া আই ধৰিত্ৰীক !!

# মোৰ ঘৰ

ৰবী বড়া
ডুমডুমা

মোৰ ঘৰ নো কি... ?
চাৰি বেৰৰ একোখন দেৱালত
ওলমি ৰোৱা পৰ্দাৰ দৰে
ভ্ৰূকুটিৰে চাই ৰোৱা
ভগ্নাৱশেষ জীৱনৰ,
খিৰিকীৰ ফাঁকেৰে ভুমুকি মৰা
ৰ'দালিৰ দৰে কেতিয়াবা
সুখৰ দুটি পল;
দূৰৰিত জিলিকি থকা
নিয়ৰৰ টোপালৰ দৰে
কেতিয়াবা দুটোপ চকুলো বিষাদৰ।

মোৰ ঘৰ নো কি... ?
চাৰি বেৰৰ মাজত আৱদ্ধ
বতাহৰ দৰে নিস্তব্ধ
চেতনাত সংগ্ৰামৰ ইতিকথা,
চোতালত ভস্মীভূত
কজলা সপোনৰ ৰূপগাঁথা।

মোৰ ঘৰ নো কি... ?
অঘৰীৰ জীৱনৰে শুৱলা
এফাঁকি গীতৰ দৰে,
তজবজীয়া ৰণুৱা ঘোঁৰাৰ
বেদুইন যুঁজাৰু;
শীতৰ শেষ নিশাত
নীৰৱে শুই পৰা বৰ্ণিল
এখিলা তৰাপাতৰ
স্বপ্ননীল সমাধি।

## কথাবোৰ নৰজিলে...

বাবুল দাস
কুলহাটী

জীৱনৰ খিৰিকীৰে বৈ আহিছিল
সৰগীয় সুখৰ বতৰা।

মনৰ কণবোৰত ঠন ধৰি উঠিছিল
প্ৰেমৰ কঠীয়া..।

সপোনবোৰ বাঢ়ি আহিছিল
কোমল ৰ'দালিৰ হাতত ধৰি,

সতেজ চুমাৰ পৰশত
কুৰঁলীয়ে যেন আঁকি দি যায়
হালধীয়া সপোন...।

ৰংবোৰ উজলাবলৈ
ক্ৰমশঃ বাঢ়ি আহিছিল তেজাল সুখ...!

সুখৰ কোঁহে কোঁহে
জ্যোতিৰ নিভাজ নক্সা
আলয় ভৰি পৰা।

এতিয়া কথাবোৰ নৰজিলে
কাৰ স'তে কথা হ'ম
জীৱন জ্যোতিৰে জ্যোতিষ্মান হ'বলে?

# আজিওঁ তোমাক চুব বিচাৰে

হেলমিনা খাতুন
বৰপেটা

কদম কেতিয়া ফুলে পাহৰি গৈছো
চহৰৰ গোন্ধ সানি।

কোনে জানে, কেনেকৈ জীয়াই আছোঁ,
বুকুত কিমান যন্ত্ৰণা সাৰটি?

প্ৰাতঃকালৰ পৰা গধূলিলৈ
কিমান যে সুখৰ সংলাপ মাতো!

হু...
বিচাৰিলেই জোন পোৱা যায়
বিচাৰিলেই তৰা পোৱা যায়

সুখ-দুখবোৰো বেচা-কিনা হয় এই চহৰত
টকা গণিলেই সকলো হাতৰ মুঠিত।

তথাপিও, সেই ল'ৰালিৰ
আইৰ কোলাৰ
জোনৰ পোহৰৰ মোহিনীত
হেৰাই যায় এই হৃদয় বাৰে বাৰে।

আজিও আছেনে...?
মোৰ সেই গাৱঁত
ফুলৰ গোন্ধ মিহলোৱা ঋতুৰ বাহাৰ,
শ্যামলীৰ বুকুত হৰিণী চঞ্চলা নদীৰ ধাৰ।

বেলাৰ শেষত বেলা ধৰিব খোজো
আজিও কি? প্ৰতি দিৱস,
দেউতাৰ মৰমত আইৰ ওঁঠ চুই ৰ'দালি নামে
কদম ফুলে চকুৰ তৰালিত।

# সখিঃ

গজেন কলিতা
শিলপুখুৰী, গুৱাহাটী

‘প্ৰেমত ফুলে শতদল
প্ৰেমত ঘূৰে ভূমণ্ডল’
আহাচোন আহা
সাগৰে নৈক, নৈয়ে জান-জুৰিক
সামৰি লোৱাৰ দৰে
উষা-সখি চিত্ৰলেখা, শকুন্তলা-প্ৰিয়ম্বদা-অনুসূয়াৰ দৰে
কাষতে বহা ;
আশ্বাসত খোলোঁ দুৱাৰ, মন্দিৰৰ।
একোখন চুক্তি পত্ৰৰে চুম্বকত্ব পাইও
‘মানুহ আটাইবোৰ দ্বীপ’ হৈ গ’ল।
মই-মই,তুমি-তুমি,তেওঁ-তেওঁৰে
সীমাহীন শূন্যতা
শেলুৰৈ ধৰা দুভৰিৰে
অতিক্ৰমেই বা কৰিবা কেনেকৈ!
ইন্দ্ৰজাল সোলোকাই অৰণি-মন্থনেৰে
হৃদয় গঢ়াৰ সপোন।
অলিন্দৰ পৰা অলিন্দলৈ সপোন বাগৰে
দিঠকত অলীক হৈ সামৰে।।

**ষষ্ঠ ভাগ**

**সম্পাদনা**

ঊষামণি শইকীয়া



# তমসাচ্ছন্ন যামিনী

ঋতুস্মিন চেতিয়া
শিৱসাগৰ, শিমলুগুৰি

ৰজনী বিভাষিত কাজল মেঘে সলালে
ৰ'দ কাঁচিয়লি উদঙাই সৌন্দৰ্য বৰণ
মেঘৰ জলঙাৰে বেলিয়ে ঠেং মেলি
সৰল গছক পিন্ধালে শুভ্ৰ বসন।
ক'ত হেৰাল তন্দ্ৰা কাঢ়ি নিয়া
মায়াময় ৰূপালী জোনাক
অচিনা তমসাত সাঁথৰ হৈ ৰ'ল
মৃগ তৃষ্ণা,
জোনৰ দেশত গোপন লহৰ তুলি
বক্ষ এন্ধাৰে বিদাৰিলে ৰজনী
মাৰ যোৱা মিনা কৰা সাজৰ তৰা
পলকতে হেৰাল চোতালৰ দূৰৱিত
ডাৱৰৰ নাৱত উঠি বগলী উৰিল
পুৱা আকাশত তুলিকাৰে ছবি আঁকি
সময় ভটিয়াই গ'ল চতিয়নাৰ ওপৰেৰে
পূৰঠ হ'বলৈ উদয় বেলি।
প্ৰতি প্ৰভাতত উদ্দীপ্তময় হৈ
কিৰণে উদ্ভাসিত বাখৰুৱা মন
জীপাল পৰশত প্ৰণয়ৰ পোহৰ
দিঠকৰ মেলানিত সপোন জাগিল।
সুদীৰ্ঘ দিন ৰাতিৰ সন্ধিক্ষণত
সোণ সুৱদী চৰাইৰ উদাত্ত কণ্ঠ
চন্দ্ৰপ্ৰভাৰ প্ৰাচুৰ্য্য বিষাদেৰে তমসাচ্ছন্ন,
মৌন কোলাহল নিদ্ৰা কায়াত
গঙা চিলনীৰ পাখি গুজি
আসন্ন সময় উৰি গ'ল কল্পনা ডেউকা মেলি
শৰালি হৈ দুটি মন প্ৰজাপতি।

# বিবেক

ছাবিনা আলিয়া
নগাঁও

দুফালৰ ছাঁ দুটা নিজৰ পক্ষৰ হৈ ওকালতি কৰি গৈছে,
বাওঁফালৰ ছাঁটোৰ কান্ধত বহি থকা শগুণটো ক্ৰমে ক্ষুধাৰ্ত
হৈ পৰিছে,
তাৰ মেলখোৱা মুখ গহ্বৰত আৱৰ্তন কৰি আছে কৃত্ৰিম
পোহৰত ৰমকজমক কৰা এখন অন্ধকাৰ পৃথিৱী,
আৰু শূন্যত ওলমি থকা এজাক ফেঁচাই কুৰুকি আছে
প্ৰতিযোগিতামুলক ভাৱে,
সোঁফালৰ ছাটোৰ কান্ধত বহি থকা ভাটৌটোৱে বিৰবিৰাই
কিবা কৈ গৈছে
আৰু পিছফালে পোহৰৰ পোছাক পৰিধান কৰি এজাক পাৰ
শান্ত হৈ বহি আছে ।
দুফালৰ ছাঁ দুটাই পথিক গৰাকীক লৈ টনা-আঁজোৰা কৰিছে,
ভাটৌটোৱে তেওঁক চকু, কাণ আৰু বিবেকক সজাগ
কৰিবলৈ প্ৰাৰ্থনা কৰিছে,
আৰু শগুণটোৱে অন্ধকাৰ সাম্ৰাজ্যৰ মুকুট পৰিধান
কৰিবলৈ তেওঁক বাৰে বাৰে আমন্ত্ৰণ কৰিছে,
বাটৰুৱা গৰাকীৰ মগজু সমান সমান দুভাগত বিভক্ত হৈ
গৈছে
সিদ্ধান্তৰ তুলাচনীত ভুল হিচাপৰ অস্থিৰতা ।
পাৰবোৰৰ পৰা কোনোবা এটা পাৰই সুধিছে, “উত্তম কি,
দুৰ্দম্য ৰিপু দমন নে ক্ষমতাৰ প্ৰাপ্তি ?
বাটৰুৱাগৰাকীয়ে সমিধান পালে
“বগা পাৰবোৰ সত্য আৰু শান্তিৰ প্ৰতীক নহয় জানো ?”

# উপলব্ধি

মুন ৰাজবংশী
হাঁহদলী, নলবাৰী

চিন্তাবোৰ পিন্ধি লওঁ বাবেই
দুখত পৰিও মই সুখী,
পুৰণি চোলাবোৰ দেখিলে
নৈ এখন উজাই আহে চকুলৈ!
ধূলি আৰু এলান্ধুবোৰ কঢ়িয়াই
বাদুলী পৰা নিশাৰ নিমাত উচুপনি।

মোৰ হিয়াৰ এশটা বানপানী টুকি,
তেজৰ হাজাৰটা উম সহি
সাৰে আছিল যি অহোৰাত্ৰি
দুখত এমুঠি বতাহে মোৰ
উশাহ ৰাখিছিল ঢাকি।

উপলব্ধি হ'ল জানো?
কামিজ সলোৱাৰ দৰে
অচিনাকি ছবিখনক বিসৰ্জন দিলোঁ,
যেতিয়া ভাৰৰীয়াৰ মুখাখন পিন্ধি
নিষিদ্ধ উপত্যকাত প্ৰৱেশ কৰিলোঁ।।

# নতুন কবিতা

কামিনী মোহন শৰ্মা
বজালী, পাঠশালা

শৈশৱৰ দিনবোৰ বাগৰি
যৌৱনৰ স্মৃতি সাবটি,
মনত পেলাওঁ আজি
জ্ঞানৰ শলিতা জ্বলাই
আৰম্ভ কৰা নতুন যুগৰ নতুন কবিতা।
আওঁৰাই থাকো কিছুমান কবিতাৰ পংক্তি
মুখে মুখে গাওঁ কবিতাৰ শাৰী
এনেকৈয়ে ৰচোঁ নতুন কবিতা
নতুন নতুন পৰশ সানি।
কবিতাৰ ছন্দবোৰ আগুৱাই যায়।
সৃষ্টিৰ নতুন ৰহণ সানি।
নতুন মলয়া বতাহজাকেও
ছন্দোময় কৰে জীৱনৰ গতি
জীৱনৰ বিভিন্ন দিশৰ প্ৰান্তে প্ৰান্তে
ধীৰে ধীৰে আগবাঢ়ে
ছন্দোময় জীৱনৰ
আধৰুৱা কবিতা ফাঁকি।

# আচল ৰহস্য

কমলাক্ষী বৰা
গুৱাহাটী, কামৰূপ (ম)

আচলতে ৰহস্য ক'ৰবাত থাকে
জানিবলৈ ইচ্ছা থাকিলে
অনুসন্ধিৎসু মন এটি লাগে।
মানুহজনক কোনে হত্যা কৰিলে
ওপৰে ওপৰে কোনেও নাজানে
চি বি আইৰ তদন্ততহে
আচল সত্য ধৰা পৰে।
স্বয়ং ঈশ্বৰ নালাগে
ঈশ্বৰৰ প্ৰতিনিধিয়েও...
মানৱতাক মৃত্যুদণ্ড দিয়া
কু-প্ৰথাৰ সৃষ্টি নকৰে।
জোৰ-জুলুমকৈ
পত্নীক ধৰি চিতাত তোলা
সতী-দাহ প্ৰথা কোনে সৃষ্টি কৰিলে?
নিশ্চয়...
কোনো স্বঘোষিত দেৱী, দেৱতা হোৱা
ধূৰ্ত খলনায়িকা, খলনায়কে।
আচলতে উদ্দেশ্য
কেনিবা লুকাই থাকে...
বাল্য বিবাহ হোৱা নাৰী
বিধৱা হ'লে
আজীৱন বৈৰাগ্য ল'ব লাগে...
কোনে এই নিয়ম সৃষ্টি কৰিলে ?
উদ্দেশ্য কৰবাত লুকাই থাকে
জানিবলৈ অনুসন্ধিৎসু মন এটিৰে
কাহিনীৰ গভীৰতালৈ জুমি চাব লাগে।
দেৱতাৰ বাবে উৎসৰ্গিত দেৱদাসীয়ে
মন্দিৰৰ পূজাৰী দেৱতাৰ
কামনাৰ বলি হ'ব লাগে।
কোনে এই কুপ্ৰথা সৃষ্টি কৰিলে !
জানিবলৈ অনুসন্ধিৎসু মন এটিৰে
আঁৰ কাপোৰখন
দাঙিবলৈ চেষ্টা কৰিব লাগে।
দুৰ্বলী অবলা নাৰীক
ডাইনী সজাই কিয় হত্যা কৰে
জানিবলৈ...
ব্যাপক অনুসন্ধান চলাব লাগে।
আচলতে যুগে যুগে
নাৰী নিৰ্য্যাতিতা হৈয়ে আছে
চলে বলে কৌশলে...
ধূৰ্ত খলনায়ক,খলনায়িকা সকলৰ
পাশবিক ৰীতি নীতিৰে।

# সানুনয়

ড° মন্‌জু হালৈ
হাৰিভাঙ্গা, নলবাৰী

তোমাৰ হাতখন মোৰ হাতত থ'বানে ?
ওহোঁ মই মুছলমান
তোমাৰখন,
ওহোঁ মই খ্ৰীষ্টিয়ান
তুমি !
কিয় থ'ম মই যে হিন্দু সনাতন ,

বাকীবোৰ তুমিয়ে ক'লা
মই বুদ্ধিষ্ট
মই বড়ো
মই মিছিং
মই ৰাভা কোচ কলিতা কছাৰী
ইত্যাদি ইত্যাদি।

সানুনয়
সকলোৰে হাতবোৰ দিয়া
এটি মানৱ শৃংখল সজাই ব্লাড বেংকবোৰলৈ যাওঁ
পৰীক্ষাগাৰত কাৰ তেজৰ ৰং কেনেকুৱা চাওঁ।

ৰাতুল বিনে ভিন্ন ৰং
অথবা
পাওঁ যদি উচ্চ-নীচ স্বাভিমান
কথা দিলোঁ
কাইলৈৰ পৰা ময়ো হ'ম
মুছলমান, খ্ৰীষ্টিয়ান অথবা স্বাভিমানী হিন্দু সনাতন।

# সন্দেহৰ আৱৰ্ত্তত মোৰ শিক্ষা

টংকেশ্বৰ কলিতা
কালজাৰ, হাউলী

সন্দেহৰ আৱৰ্ত্তত মোৰ শিক্ষা।
কাৰণ মই মুক্ত কৰিব পৰা নাই মোক,
মোৰ সমাজখনক,
অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা।
শিক্ষিত মই ঠিকেই হৈছো,
উন্নতিও বহু কৰিছোঁ,
কিন্তু সংস্কাৰ?
নাই মোৰ সামাজিক দায়ৱদ্ধতা,
বিজ্ঞান মানসিকতা,
মাথোন স্বাৰ্থপৰৰ দৰে ভোগ আৰু লালসা।
তাৰেই প্ৰভাৱত
ক্ষয় ৰোগত আক্ৰান্ত মোৰ দেশৰ সভ্যতা।
সেয়েহে যুক্তিৰে চিন্তাৰ অৱকাশ দেখো
প্ৰচলিত ব্যৱস্থাৰ।
মহাকাশত আজি মানুহ,
মনৰ গতিৰে চলা দুৰন্ত গতিৰ যানত উঠি
পিত্পিতাই ফুৰিছে উপগ্ৰহৰ পাছত গ্ৰহ
হয়তো নক্ষত্ৰও
লক্ষ্য সৃষ্টিৰ ৰহস্য ভেদিব।
আকৌ চৌপাশে দেখো
হাতত স্মাৰ্ট ফোন,
কথাই কথাই শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰ চেষ্টা,
ৰাজধানীৰ পৰা আমাৰ জকাইচুক পোৱা
ডিজিটেল টেকন'লজিয়েও কিন্তু
আঁতৰাব পৰা নাই মোৰ ডিঙিৰ তাবিজ
অথবা জৰা-ফুঁকাৰ ৰাজনীতি।
নিতৌ দেখিছো স্বচ্ছতাৰ নমুনা,
দুৰ্নীতি, ভ্ৰষ্টাচাৰ, ধৰ্মীয় উন্মাদনা,
হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ,
সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতা
আৰু যে ক'ত কি...
তাৰ পাছতো
লক্ষ্য কৰিছোঁ বহু কথা-
সুৰাৰ ৰাগীত থকা মাতালৰ মাজত,
বৃদ্ধাশ্ৰমৰ ককা-আইতাৰ গধুৰ নিশ্বাসত,
সুখৰ সংজ্ঞা বিচাৰি ফুৰা
মোৰ বিশেষ ভাৱে সক্ষম ভাই-ভনীৰ অনুভৱত
অথবা ডাইনি হত্যাৰ প্ৰতিটো ঘটনাৰ আঁৰত,
বিচাৰি নাপাওঁ মই প্ৰকৃত শিক্ষা।
অনুভৱ হয়, কিজানি প্ৰয়োজন
বিজ্ঞান সংযোজিত আধ্যাত্মিক শিক্ষাৰ!
সেয়েহে-
সন্দেহৰ আৱৰ্ত্তত সোমাই পৰে মোৰ শিক্ষা।
কাৰণ,
মই মুক্ত কৰিব পৰা নাই মোক,
মোৰ সমাজখনক,
অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা ।

# স্বদেশৰ গৌৰৱ

জ্যোতি মাধৱ
নুনমাটি, গুৱাহাটী

সবাতোকৈ উৰ্ধত দেশ
হে' শ্ৰদ্ধাৰ জনগণ
সংকীৰ্ণতা বিসৰ্জন দিয়া,
জাতি, ধৰ্ম, বৰ্ণ, সকলোৱে
মিলি আমি ভাৰতীয়।
মানৱতাৰ পূণ্য ভূমি এই দেশ
গ্ৰহণীয় নহয় হিংসা বিদ্বেষ!
অহিংসা, প্ৰেম আৰু মানৱতা
এই দেশৰ পবিত্ৰ ধৰ্ম
সহনশীল আৰু ত্যাগৰ
মহান আদৰ্শ আমাৰ কৰ্ম।
১৩৫ কোটি জনতাৰ এই দেশ
গ্ৰহণীয় নহয় হিংসা বিদ্বেষ।
এই দেশৰ বাবে আমি যুঁজিছোঁ
এই দেশৰ বাবে আমি
জীৱন পণ কৰিছোঁ।
শত্ৰু মিত্ৰক ভালদৰে চিনিছোঁ
সিহঁতৰ অন্তৰ মৰমেৰে জিনিছোঁ।
সকলোৰে উৰ্ধত মোৰ দেশ,
সাহসেৰে নাশিম হিংসা বিদ্বেষ।
মহান মনীষী আৰু বীৰ-বীৰংগণাৰ
ত্যাগৰ গৌৰৱেৰে গৰ্বিত এই দেশ
ইতিহাসে এই কথা কয়।
শান্তি, সম্প্ৰীতিৰ অমল ধাৰা
মিলনৰ বোঁৱতী নৈৰ দৰে
দেশৰ বুকুত নীৰৱে বয়।
প্ৰতিবেশীৰ কৌশল
নহয় সফল,
সুৰক্ষিত ৰাখিম এই দেশ,
গ্ৰহণীয় নহয় হিংসা বিদ্বেষ ।

উদাৰ আৰু সৰল আমাৰ
গ্ৰাম্য জীৱন শৈলী
চহকী জাতীয় সংস্কৃতি,
শুৱলা আমাৰ ভাষা।
সুন্দৰ গীত মাত
যেন মৌ বৰষা কথা।
সকলোৰে হৃদয়ত উজ্জীৱিত
নতুন প্ৰভাতৰ নতুন আশা।

অতিথি পৰায়ন, সহনশীলতা,
স্বচ্ছতা আৰু সহিষ্ণুতা,
এই দেশৰ পৰম্পৰা ।
প্ৰকৃতিৰ কতযে বিনন্দীয়া ৰূপ।
বিভেদকামীৰ ষড়যন্ত্ৰ নহয় সফল
ৰোধিম শত্ৰুৰ কৌশলী স্বৰূপ।
মানৱতাৰ পূণ্য ভূমি এই দেশ
গ্ৰহণীয় নহয় হিংসা বিদ্বেষ।

প্ৰযুক্তিৰ ৰক্ষা কৰচেৰে সমৃদ্ধ
এই দেশৰ উদ্যোগ,
শিল্প, বাণিজ্য।
নানা বৈচিত্ৰ্যতাৰে মহিমামণ্ডিত
কৃষ্টি-সংস্কৃতি আমাৰ আভিজাত্য।
প্ৰেম আৰু ভাতৃত্বৰে
উদ্বুদ্ধ চেনেহৰ স্বদেশ,
মানৱতাৰ পূণ্য ভূমি এই দেশ,
গ্ৰহণীয় নহয় হিংসা বিদ্বেষ!!

# ভাল মানুহ

গীতাঞ্জলি কলিতা
গুৱাহাটী, কামৰূপ (ম)

মোৰ মা মুছলমান,
মোৰ দেউতা হিন্দু।
যেতিয়া ঈদৰ সময়ত মামাৰ গাঁৱত
মামাহঁতৰ লগত মছজিদত যাওঁ
সকলোৱে মোক ঈদ মোবাৰক কয়,
ময়ো মামাহঁতৰ লগত নামাজ পঢ়োঁ,
কোনেও মোক তেতিয়া হিন্দু বুলি নকয়!
বিহুৰ সময়ত,
গুৰুজনাৰ তিথি, জন্ম উৎসৱত
নামঘৰত যেতিয়া যাওঁ
সকলোৱে মোক আদৰি লয়,
সকলোৱে একেলগে বহি নাম ধৰোঁ।
মোৰ পত্নী এলিজা খ্ৰীষ্টান আৰু
তাইৰ লগত গীৰ্জাত গ'লে
কোনেও মোক খেদাই নিদিয়ে
তই হিন্দু, তই মুছলমান বুলি।
তেন্তে সকলোবোৰ দেখোন মোৰ আপোন মানুহ,
আমাৰ সমাজত থকা
সকলোবোৰ দেখোন ভাল মানুহ।
কোনবোৰ বেয়া মানুহ?
তেওঁলোকক বিচাৰি
ভাল মানুহৰ শাৰীত থ'ব নোৱাৰিনে?

# জীৱন চক্ৰ

সবিতা দাস
মিৰ্জা, কামৰূপ

কেতিয়াবা মন ক্লান্ত
কেতিয়াবা উশাহ চুটি
কেতিয়াবা দুচকুত বৰ্ষা
কেতিয়াবা ওঁঠত মধুৰ হাঁহি
কেতিয়াবা মুখ মেঘৰ বৰণ
কেতিয়াবা হৃদয়ত বিষাদৰ ছুনামি
কেতিয়াবা কলিজাত আশাৰ ৰেঙনি
কেতিয়াবা বুকুত বিৰহৰ অগনি
কেতিয়াবা অমানিশা
কেতিয়াবা জোনাকী নিশা ...

এনেকৈ ঘূৰিছে জীৱন চক্ৰ
সূৰ্যোদয় অভিমুখে।

**সপ্তম ভাগ**
**সম্পাদনা**
মৌচুমী ৰাজখোৱা



# হত্যাকাণ্ডৰ পদ্য

**প্ৰণৱ কুমাৰ বৰ্মন**
গুৱাহাটী

তোমাৰ চাৱনিয়ে হত্যা কৰে মোক
তুমি হত্যাকাৰী
তোমাৰ বাগিচাৰ ফুল লৈ নাহিবা
শুৱাবলৈ মোৰ শ

মই তোমাৰ দেহ দেউলৰ এডাল লতা
তোমাতে বগাওঁ
তোমাকে ছানি ধৰো
তোমাক মাৰি পেলাওঁ
মই হত্যাকাৰী
চকুপানী লৈ যাওঁ শুৱাবলৈ তোমাৰ শ

আমি দুয়ো দুয়োৰে
নিৰৱ হত্যাকাৰী

২)
এটা উজাগৰী ৰাতিৰ অন্তত
ৰ'দৰ দৰেই তুমি আহি পোহৰালা হৃদয়
এটি বেলিৰ দৰে কি উজ্জ্বলতা
আকাশ উন্মুখ
ৰবা,এনেদৰে তোমাক বালিত পোত যাবলৈ নিদিওঁ
ধাননিডৰাৰ সোণালীত হেৰাই যাবলৈ নিদিওঁ
বতাহে উৰুৱাই লৈ যাবলৈ নিদিওঁ
তোমাৰ বন্ধ জতুগৃহ ভাঙি চুৰমাৰ কৰি সাগৰলৈ
বোৱাই লৈ যাম
মোৰ বোৱতী সোঁতেৰে তুমিও হ'বা প্ৰবহমান
বিচাৰি সাগৰীয় শংখৰ মাত

# চান পাপৰি

ৰঞ্জিত পাটগিৰি
নলবাৰী

ৰ'দ ঘাই দুপৰীয়া
চকুত মাৰিছে চাট
শাওন সপ্তাহ
মেঘ-পথাৰত ফাট।

আমাৰ বাটৰ দূবৰি গছকি ডম্বৰু বজাই
গৈ আছে এটা চানপাপৰিৰ বেপাৰী,
আমি তেতিয়া ৰবাব টেঙাৰ কথা ভাবি আছিলোঁ
আবেলি ফুটবল খেলিবলৈ।

চানপাপৰিৱালাই চাপৰি বজাইছে
বগা গুলপীয়া হালধীয়া চাপৰি
পলিথিনৰ পেকেট ফালি উৰি আহিছে
আমাৰ লোভৰ লেলাউটি।

আলনাত পৰি থকা পিতাৰ পাইজামাত খচমচাই
সুমুৱালোঁ
শেঙুন মচা হাত,

খুচুৰা সিকি ক'ত ? ক'ত ? ক'ত ?
কাণ কটা বাঁহৰ খুটা য'ত।

দীঘল বেঞ্চখনত পিতাই দীঘল দি আছিল, আমাৰ
আকাংক্ষাৰ দুপৰীয়াটোও।

আৰু কি আচৰিত !
নোনা নৈৰ দুপাৰে
পকিল বহু আঘোণ,
বাঢ়িল ধানৰ শুং
অথচ, এতিয়াও লাগি আছে
ওঁঠত
জিভাত
আলজিভাত...

নাওমান চানপাপৰি
সিৰসিৰাই যোৱা
শৈশৱৰ সোৱাদ।

মুখত দিলেই পমি যায়
ইমান আলসুৱা স্মৃতিৰ খৰিকাজাঁই।

# প্ৰেম

অচিন্ত্য ৰাজখোৱা
বালিচাপৰি, মাজুলী

প্ৰেমৰ
এটাও সংহত শব্দ
আজিলৈকে বিচাৰি উলিয়াব নোৱাৰিলোঁ

প্ৰেমৰ কথাবোৰ
আচলতে পুৰণি আৰু পাক লগা
সকলোবোৰ কথাই
কোনোবাই কাৰোবাক কোৱা
সকলোবোৰ ঘটনাই কেতিয়াবা কৰ'বাত হোৱা

বাহলৈ কূটা কঢ়িওৱা
এটা অবোধ চৰাই
তেজত বৈ ৰোৱা ফুটুকাফুলৰ নিচা
তেওঁৰ কাণৰ ফুলিত জিলিকি উঠা
সুৰ্যৰ এটা তিৰবিৰনি,
আৰু আমাৰ দুৰন্ত হাহাকাৰ
হয় জানোঁ প্ৰেম?

# শব্দৰ তুলিকাত এখন ছবি...

টেজেন হাজৰিকা
গহপুৰ

এই বাটেৰে তেওঁৰ সদায় অহা-যোৱা,
পুৰা-গধূলি নিয়ৰ গচকি
মুখত এটি বসন্তৰ হাঁহি বিৰিঙাই
শুভ্ৰ শেৱালিৰ নোকোৱা কথাবোৰ ক'বলৈ
চিনাকি সুহুৰিটিৰে বতাহ ফালি ফালি
অবিৰাম যাত্ৰা
অপৰাহ্ণৰ এটি মধুৰ ক্ষণত
তেওঁ বহি ৰয় সাগৰ তীৰত
দুচকুত নীলিম জলৰাশিৰ আল্পনা
তেওঁ আপোনমনে কৈ যায়
শৰতৰ মায়াময় জোনাকী সন্ধিয়াৰ কথা
যোড়শী শেৱালিৰ কথা,
আকাশখনে বিস্ময়ত তেওঁলৈ চাই ৰয়
এই শব্দ বলিয়া মানুহজনৰ
হৃদয়ত বাৰু আছে কি... ?
ইমান সৰলতাৰে, ইমান আকুলতাৰে
তেওঁ কেনেকৈ শব্দেৰে মালা গাঁথে
কেনেকৈ শব্দৰ নদীত সাঁতোৰে
শব্দৰ সঁজাল ধৰা কঠিয়াৰে
তেওঁ সোণগুটি চপাই প্ৰতিমা সাজে
চৰাইৰ কাকলিত গীত ৰচে,
জোনাকীৰ মেলত তেওঁৰ কি যে অহা-যোৱা
নানাৰঙী পখিলাৰ কথা পাতি
নান্দনিকতাৰে সজাই ভিন্নৰঙী বাগিছা
মৌৰ গুণগুণনিত নিগৰে নিজৰাৰ কথকতা
এইযে মানুহজন
তেওঁ অনবৰতে বুকুত কঢ়িয়াই ফুৰে
এটি কবিতা
কেতিয়াবা তেওঁ জীয়া মানুহৰ কথা কয়
আৰু কেতিয়াবা মৃতজনৰ
কেতিয়াবা তেওঁ অশৰীৰী হৈ ঘূৰে
আত্মাৰ মাজত বিচাৰি ফুৰে অমৃত
বন্ধ হৃদয়ৰ দুৱাৰত টুকুৰিয়াই
পোহৰ পিয়াসী বাৰ্তাৰে মৰম সিঁচে
বিনিময়ত সঁচা বন্ধুত্বৰে আঁটি আঁটি বান্ধে
প্ৰেম নামৰ অবুজ সাঁথৰৰ এটি চাকি
পোহৰবোৰ বিয়পি পৰে হৃদয়ৰ কোঠাৰে
তমসাঘন এন্ধাৰৰ সিপাৰে
এতিয়া তেওঁ নিজেই এটি চাকি
পোহৰত জিলিকে এজাক
পাখি লগা পক্ষী
শব্দৰ বৰযুণত অংকুৰিত
হাজাৰ গোলাপৰ কলি
বুকুৰ বাহিৰে ভিতৰে
এখনেই ছবি
নাম তেওঁৰ পোহৰৰ কবি।।

# আখৰা

অৰুণ গগৈ
নাগাজাংকা, নগাওঁ

সেই বাটটো এদিন সেউজীয়া আছিল
যি বাটৰ কাযত বাস কৰিছিল
সুখ আৰু মানুহ
একেলগে,
যি বাটত হৃদয় বেচা বজাৰ নাছিল
নাছিল ঘৃণাৰ কোলাহল।
মানুহবোৰে একোৰে জনা নাছিল
দুখৰ চুবুৰি কেনি,
কেনেকৈ সভ্যতাই টুপী পিন্ধে
নাজানিছিল একেখন আকাশৰ
তলতে থাকে জোক আৰু তেজপিয়া।
এতিয়া কাৰো সময় নাই
এই বাটত।
বাটে সজা চহৰ ব্যস্ত।
ব্যস্ত
পদূলি
চোতাল
বাটচ'ৰা
চ'ৰাঘৰ
অথবা পাকঘৰ
যেতিয়া ৰাতি চহৰখন শুই যায়
মানুহবোৰ এন্ধাৰ হয়
সাক্ষী হৈ থাকে শোৱনি কোঠাৰ ওখ ওখ দেৱালবোৰ
মানুহৰ ঘৰৰ টেবুলৰ অভিধানবোৰত
এই শব্দবোৰৰ হাঁহি উঠে
জাতীয়তাবাদ
সাম্যবাদ
সমাজবাদ।

মৰা শ বিচাৰি উৰি অহা কাউৰীৰ ঠোঁটত
সাম্প্ৰদায়িকতাৰ তেজবোৰ লাগি থাকে
চহৰখন মনে মনে থাকে।

টোপ দিয়া আৰু টোপ গিলা মানুহবোৰ দুটা ফৈদত
বিভক্ত
টুপী পিন্ধোৱা কৌশলত
এজনতকৈ আনজন বেছি আসক্ত

মাজে মাজে চহৰখনৰ মানুহবোৰৰ মন অপহৰণ কৰি
বুঢ়া শগুণে সভা পাতে
কাৰণ তেওঁৰ হাততেই
লেকামৰ চাবিকাঠি লুকাই থাকে

বাটৰ পৰা চহৰ হোৱা চহৰ
এতিয়া ব্যস্ত।
মানুহবোৰ ব্যস্ত
কেনেকৈ টোপ দিব পাৰি
কেনেকৈ টুপী পিন্ধাব পাৰি।
কেৱল আখৰা
আৰু
আখৰা।

# অভিমানী মন

চুমি বৰ্মন
বুঢ়ীনগৰ, নলবাৰী

আকৌ এটি
উজাগৰী ৰাতি

তোমাৰ হাঁহি,
তোমাৰ খং

অভিমান আৰু
ভালপোৱাৰ চাকনৈয়াত আছোঁ বৈ!!

অন্তৰৰ এটি মৃদু সংগীতৰ
মূৰ্চ্ছনাত
মই যেন উটি যাম,
হেৰাই যাম

শান্তি অথবা কোলাহলত যেন হৈ যাম
নিঃশেষ

অ' বুকুৰ ভালপোৱা
কিয় ইমান ভাল লগা?
তুমি কিয় ইমান ভাল লগা ??

# কবিসকল সুখী নহয়

অঞ্জনা শইকীয়া
জু-ৰোড, গুৱাহাটী

আচলতে কবিসকল সুখী নহয়!
কোনো সুখীয়েই কবিতা লিখিব নোৱাৰে!
যিদৰে আঁউসীত জোন নোলায়।
যদি কোনোবা কবিয়ে সুখত কবিতা লিখে।
তেওঁতো বৰ কৌশলেৰে নিজকে ঠগে।
যন্ত্ৰণাৰ ঔৰসতে হৃদয়ৰ গৰ্ভত কবিতাৰ জন্ম হয়
ভূমিষ্ঠ হয় উকা কাগজৰ পৃষ্ঠাত!
আচলতে কবিসকল বৰ চতুৰ।
কবিতাবোৰ লিখি, লিখি এদিন শেষ হৈ যায়
অথচ্ আচল কবিতাটো কাহানিও
লিখাই নহয়!
হে কবি, বুকুত হাত থৈ দুচকু মুদি
নিজকে এবাৰ সোধাচোন
'মই বাৰু সুখী নে?'
নক'লেও হ'ব-
আচলতে কবিসকল
কেতিয়াও সুখী নহয়।

# আলি আয়ে লৃগাং

ডেনী গাম
গুৱাহাটী

ফাগুনৰ পছোৱাত বা লাগি
উৰি যায়
প্ৰিয় প্ৰেমৰ কবিতা

ওঁঠে ওঁঠে ঐনিতম
চাঙে চাঙে ভালপোৱা

নিচা লগা দিন-ৰাতি
ইমান ৰঙা হৈ আহিছে আকাশখন
আজিয়েই সিঁচি দিও
স্বপ্নৰ বীজ সেউজীয়া

# খেতিয়কৰ সপোন

ব্ৰজেন মেধি
নলবাৰী

যোৰা ৰাতিৰ বৰযুণজাক ডাঙৰ
চালেকটা পানীৰে মজিয়া ভৰিছে

গাঁৱৰ খেতিয়কে কোৱা শুনিছোঁ
এইবাৰ হেনো ধান ভাল হৈছে

মাজনীৰ পঢ়াৰ খৰচ
আৰু উদ্বৃত্তখিনিৰে চালিত
টিন-পাট লগাম এইবেলি

গোমা বতৰতো
উমলিবহি ৰ'দে।

# তেতিয়া আখৰ নাছিল

ডাঃ মৃদুল গগৈ
শিৱসাগৰ

বুৰঞ্জীও অসহায়
মাথোঁ দহ হাজাৰ বছৰৰ
আলো ছাঁয়া খতিয়ান দি
আমাৰ বুৰঞ্জী লাজত আচ্ছন্ন মধুমালা
ভাল লাগে ইতিহাসৰ দেওলগা
সঁচা মিচা আৰু কত কল্প কাহিনী
যুদ্ধৰ দামামাৰে লিপিবদ্ধ বিবৰ্ণ পৃষ্ঠাবোৰ
আলেকজেণ্ডাৰৰ বিশ্ব জয়ৰ দুৰন্ত অভিলাস
বিশ্বত্ৰাস হিটলাৰৰ অশান্ত আত্মাৰ অহং
ভাল লাগে চাই মনালিছাৰ হাঁহি
আৰু কত ক্লিয়'পেট্ৰা জুলিয়েট মিৰান্দা
মাৰ্বলৰ জোন আমাৰ মমতাজক।
মই নাজানিলোঁ কোন আদি মানৱৰ
কিমান নম্বৰৰ পৰিনাতি মই
ক'ত আছে পুৰাতন আজোককা মোৰ।
জীৱনৰ এই মাতাল ছন্দই বাৰে বাৰে
হগুৱায় বাৰে বাৰে কন্দুৱায়
শেষ ক'ত আইতাৰ জোনবাইৰ সাধু!
বলীয়া বসন্ত আহিব নালাগে আৰু
পলাশ বনতে চকুযোৰ সাঁচি থ'বা তোমাৰ
জীৱন দৰ্শনতকৈও বিষময় প্ৰেম।
হতভগা জীৱনৰ আশ্চৰ্যখচিত এই ৰংগমঞ্চত মাত্ৰ
অভিনয় আমাৰ
প্ৰেমান্ধ পৃথিৱীৰ হিচাব-নিকাচত আমি নাই।
কি কোৱা সখী মধুমালা

**অষ্টম ভাগ**

**সম্পাদনা**

অলকা মহন্ত বৰুৱা



# হৃদয়ৰ অনুভৱ

অখিল চন্দ্ৰ দাস
দিশপুৰ, গুৱাহাটী

মাঘ বিহুৰ প্ৰথম ৰাতিপুৱা
মহৰ শিং কপোঁৱা জাৰ।
সূৰুযৰ চকু কুঁৱলীয়ে বান্ধিছে
নিয়ৰৰ টোপালবোৰ বৈ আছে
সূৰুযৰ বদন চাবলৈ।
যুৱক যুৱতীবোৰ উঠিছে
হালধীয়া পথাৰৰ বহল বুকুত।
চালে চকুৰোৱা বিনন্দীয়া দৃশ্য
এটি আমোল মোল গোন্ধ
জাক জাক যুৱক যুৱতীৰ
উখল মাখল চঞ্চল মন।
অনুভৱ এয়াযেন কেৱল
মোবাইলত চেল্‌ফি লোৱা ক্ষণ।
কোনোৱে বহি কোনোৱে থিয়ৈ
চৌদিশে প্ৰকৃতিৰ শ্যামলী ৰং
কুঁৱলীৰ শুভ্ৰ আচ্ছাদন
তেজ ৰঙা মনত যুৱতীৰ হৰ্ষোল্লাস।
প্ৰেমভৰা হৃদয়ৰ আহ্বান
চেল্‌ফিত ঘটিছে বহিঃপ্ৰকাশ
থুতৰি কঁপোৱা জাৰত
অৰ্ধনগ্ন দেহে কিসুচায় বাৰু?
আঁঠুৰ ওপৰত লাজ লগাকৈ
ওলমি আছে গাভৰুৰ বসন
শীতেও যেন নগলায়
গাভৰুৰ গোট মৰা তেজ।
হালধীয়া পথাৰৰ একাষত
শংকৰৰ দৰে শুই আছে
কালিৰ ৰূপ চাবলৈ
এটি দীঘলীয়া বাট।
হালধীয়া দলিচাত পথিকৰ নয়ন
জুৰায় দুচকু দূৰৈৰ শ্যামলী বৰণ।
জাক-জাক মধুকৰ-ভোমোৰাই
সোণত সুৱাগ চৰায় তাত
তাকে দেখি আমি কৰো
উপভোগ স্বৰ্গীয় সুখৰ।
এয়া যে হালধীয়া
সৰিয়হ ফুলাৰ শীতৰ
সেমেকা বতৰ।

# জয়াল নিশা যৌৱনৰ আৰ্তনাদ

অনন্ত কুমাৰ ভূএগ
নকাড়ি, উত্তৰ লখিমপুৰ

অস্পৃশ্য জয়াল সন্ধ্যা
অশ্লীল কামনাই আমনি কৰে
অভিসন্ধিৰ উলঙ্গ বাসনাই
নিষ্ঠুৰতা কঢ়িয়াই
নাৰী অপহৰণকাৰীয়ে
সংগোপনে দস্তাবেজ লিখে
আক্ৰোশৰ ভাৱাবেগত
আমেজ বিচাৰে বন্ধ কোঠাৰ আন্ধাৰত
দলবদ্ধ ধৰ্ষণত হিয়া কঁপি উঠে
নীৰৱ সন্ধ্যাই উচুপি উচুপি কান্দে
অসহায় হৈ পৰে ভয়াতুৰ হিয়া
এই ঘৃণনীয় কৰ্ম্মত হৃদয় নগলে
ই মৰ্ম্মান্তিক দৃশ্যৰ
এখন বীভৎস অশ্লীলতাৰ নষ্ট পথাৰ
ছদ্মবেশীসকলৰ অশালীন হিংসুক জগত
জয়াল নিশাৰ যৌৱনৰ আৰ্তনাদ
কোনেও শুনা নাপায়
উন্মুক্ত আকাশৰ তলত
হৰ্ষ বিষাদ হিচাব কৰিবলৈ কোনো নাথাকে
দলিয়াই থৈ যোৱা মৃতদেহৰ
একমাত্ৰ সাক্ষী নিষ্ঠুৰ সময়।

# অনুভৱ

অৰুন্ধতী গগৈ
তেজপুৰ

নিশাবোৰ আজিকালি
বৰ দীঘল যেন লাগে,
এক অবুজ বেদনাত হৃদয়খন
তচনচ হৈ পৰে

নিঃসংগতাই দেখোন বাৰে বাৰে
অগা-দেৱা কৰে
উজাগৰী নিশাৰ সংগীহৈ।

শীতলতাৰ মায়াবী অনুভৱেও
চুব নোৱাৰা
বহু আধৰুৱা প্ৰশ্নৰ স'তে,
মধুময় স্বপ্নৰ স'তেও দেখোন হাঁহিব নোৱাৰোঁ।

দিন যায় ৰাতি আহে
পক্ষীয়ে গীত গায়
পাহাৰে ভৈয়ামে বিচাৰি ফুৰোঁ অময়া সুখ!
নীৰৱে কল্পনাৰ ৰাজ্যত খেপিয়াই থাকোঁতে
উচপ খাই উঠো
স্বপ্নতে সৰা গোলাপৰ অনুভৱত।।

# নষ্টালজি

ফিৰোজা বেগম
বৰপেটাৰোড

দুচকুত ওমলি থাকে এটা দেওলগা সপোন
মাতাল ৰাতি কোনে বাৰু বাহীত দুখৰ সুৰ তোলে?
হয়তো কোনোবা প্ৰতাৰিত প্ৰেমিকে
নুমাবলৈ চেষ্টা কৰে হৃদয়ৰ জুইকুৰা।
তুমি চিনাকি নৈৰ ঘাট লৈ মোক বিচাৰি নাহিবা
মোৰ যে বাসনাবোৰ সাৰ পাব খোজে
সপোনবোৰ সাৰ পাই উঠে নিজৰ অজানিতে।
মৰসা ফুলৰ পাপৰিবোৰ সৰি যাবলৈ দিয়া
নহ'লে উভতি আহিব আশাবোৰ।
এলান্ধু কলীয়া ডাৱৰ ভাজত গজি উঠিব
হেৰাই যোৱা হেঁপাহবোৰ।
ওচৰলৈ নাহিবা দূৰৈৰ পৰা ৰ'লাগি চাম তোমাক
তোমাক সপোনবোৰ ফলিয়ালে মোৰো ভাল লাগে
যদিও মুখ ফুটাই ক'ব নোৱাৰো হৃদয়ৰ ভাষা।
শীতৰ সেমেকা ৰাতিবোৰ নষ্টালজিৰ আমেজ
মাদকতা ভৰা সময়বোৰ উভতি নাহে কাহানিও
সময় বৰ নিষ্ঠুৰ বুলি কৈ সান্ত্বনা লওঁ
সোঁৱৰণীবোৰ হুমুনিয়াহ হৈ সৰি পৰে।
ভাল লগা সময়বোৰ জাহ যায় অতীতৰ বুকুত
এতিয়া যে নষ্টালজি বুটলাৰ সময়।

# আকুল হৃদয়ৰ আহ্বান

সবিতা মুদৈ
বিশ্বনাথ চাৰিআলি

মোক এখন সুন্দৰ নদী দিয়া
য'ত সাতুৰী নাদুৰি ধুই নিব
জীৱনৰ সিক্ত বেদনাবোৰ
বোৱতী ধাৰাত বৈ যাওক কলুষ কালিমাবোৰ–

মোক এখন সুন্দৰ আকাশ দিয়া
য'ত ৰংমনে বিচাৰিব পাৰোঁ
মনৰ বিশালতা আপোনজনৰ বুকুত
মুকলি মনেৰে বিচাৰি লৈ প্ৰেমৰ মাদকতা —

মোক এখন সুগভীৰ সাগৰ দিয়া
যাৰ গভীৰতাই বুৰাই পেলাওক
স্বাৰ্থ মোহত মোহাচন্ন হৃদয়ৰ
আত্মাভিমানী অভিমানে ঢাকি থোৱা সপোন—

মোক নিৰ্মল বতাহৰ উমান দিয়া
য'ত বিয়পি আছে সুগন্ধি ফুলৰ
আমোল-মোল গোন্ধই বিয়পি আছে
জগত খন নিৰ্মল কৰিব পৰা এক অদ্ভুত সাহস—

মোক এখন কোমল হৃদয় দিয়া
যাৰ মৰম আৰু বিশাল মানৱতাই
দুখ-বেদনা, লোভ-মোহ স্বাৰ্থ পৰিহাৰ কৰি
বিলাই যাব পাৰো গভীৰ ভাব বোৰ
জীৱনৰ সুখবোৰ সাঁচি ৰাখিব পৰাকৈ অকপটে—

# মাঘ বিহু

জ্যোৎস্না ৰাণী
পাঞ্জাবাৰী গুৱাহাটী

মাঘ বিহু খাবলৈ নামাতিবা বোপাই,
চহৰীয়া মাঘ বিহু নাযাওঁ খাবলৈ,
তোমালোকো নাহা যদি নালাগে আহিব,
নাতিহতঁৰ মুখবোৰ মনতেই আঁকিম।

আপোন বুলিবলৈ আছে বহু অঙহী-বঙহী,
সিহঁতক লৈয়ে থাকিম পতিৰ ভেটিত।
গাঁৱৰ ল'ৰাহঁতে মাছলৈ যায়,
গৰৈ-কাৱৈ কেইটামান মোকো দি যায়,
তিল পিঠা, ঘিলা পিঠা, যিহকে সজাই,
বঙহৰ বোৱাৰীবোৰেও এৰিকে নাখায়।
জুই জ্বলাই সিহঁতে, গধূলি-পুৱা,
জুমুৰি পাতি বহো আমি আটায়ে মিলি,
হাত- ভৰি সেঁকি আহো, কথাৰ মহলা মাৰি।

মাঘ বিহুৰ আগ নিশা উথপ-থপ লাগিব,
গাঁৱৰ বোৱাৰীহঁতে মাহ-কড়াই ভাজিব
চৌপাশ গোন্ধত আমোল মোলাব,
গাঁৱত আহিলে জানিব পাৰিবা,
অসমীয়া পৰম্পৰা কিমান যে ধুনীয়া।

কণ কণ মইনাহঁতে পুৱাই উঠিব,
প্ৰাতঃকৰ্ম কৰিয়েই স্নান কৰিব,
আম, কঁঠাল, নাৰিকলৰ গুৰিলৈ দৌৰিব,
ধান খেৰৰ পঘা বনাই গছত বান্ধিব,
চিঞৰি চিঞৰি গছৰ ফল লাগিবলৈ ক'ব।

বোৱাৰীহঁতেও পুৱাই উঠিব,
বাহী-বন সামৰি গা-মূৰ ধুব,
জ্যেষ্ঠজনক সেৱা জনাব,
পঁইতা ভাত, হাঁহ কণীৰে পুৱাই পেট পূৰাব।

হ'ব দে বোপাই, নালাগে আহিব,
নোৱাৰিম যাব ময়ো, এৰি ঘৰখন,
চহৰীয়া মাঘ বিহু খাবলৈ নাযাওঁ,
গাঁৱলীয়া মানুহ আমি, গাঁৱতেই থাকিম,
বোপা- ককাৰ ৰীতি-নীতি মানি চলিম।

# প্ৰেমৰ মালিতা

নমিতা গোস্বামী
ৰূপনগৰ, গুৱাহাটী

প্ৰেমৰ কথাবোৰ দেখোন
কোৱাই নহ'ল
কওঁ কওঁ বুলি থাকোতে বৈ
বেলি পৰিবৰে হ'ল
ইপাৰতে বৈ গলো মই
সিপাৰৰ পৰাও নাহিলা তুমি।
এনেকৈয়ে এদিন জীৱনৰ
সময় সামৰি
গুছি যাম আমি
তুমি যাবানে মই
নাজানো আজি।
সন্ধিয়াৰ লগে লগে
ঘৰমুখী চৰাইৰ সতে
প্ৰেমৰ কথাবোৰো
গান হৈ উৰিব খোজে
সুৰ কিন্তু কৰাই নহ'ল।
বেসুৰা গানটো,
প্ৰেমৰ নিশব্দ সংলাপ হৈ
পৰি থাকিল মৃতপ্ৰায় হৈ।
নাহিলা তুমি নৈখন ভেদি
নগলো মই হেঁপাহ সাৰটি
প্ৰেমৰ কথাবোৰ থাকিল
বুকুৰ নিজানত পৰি।

# পানীভেকুলী

সত্যজিত গগৈ
চাচনি, ডিব্ৰুগড়

পানী ভেকুলীৰে টোৰটোৰায়
বৰযুণ এজাক অহাৰ কামনাৰে
যি জাক বৰষুণত তিতি তিতি
সিহঁতে গাব পাৰে সেউজীয়াৰ গান
আৰু ধুৱাই ল'ব পাৰে গোসৰ্পিকাৰ সাজ।

পানী ভেকুলীৰ দৰে
সময়ে অসময়ে আমিও কৰোঁ উত্তৰোল
যি উত্তৰোলত অনবৰতে ওলমি থাকে
চিনাকি চিনাকি এটা গোন্ধ।

পানী ভেকুলীবোৰ ওপঙি থাকে
এক অদেখা গৰিমা
পানী পৰুৱাৰ স'তে মিতিৰালি গঢ়ি
চক্ৰবেহুৰ জনক গঞ্জণাৰ দস্তাবেজ।

আমি ওপঙিব নোৱাৰো
ডুবি থাকো
ডিঙিলৈকে পানীত নামি
সন্ধান কৰো দমুনখ গভস্তিৰ।

# জীৱন যন্ত্ৰণা

নাছিৰ আহমেদ
গোৱালপাৰা

জীৱন-সমুদ্ৰ মন্থনত
বিচাৰি পালোঁ মাথোঁ
অসংখ্য সৰিসৃপ আৰু অবাধ বিচৰণ।

অথচ ! মই স্বপ্নৰ স্মৃতি সৌধ সাজোঁ
মোৰ প্ৰিয়াৰ নিমজ গালত।
কি যে দুঃসহ ব্যৱধান !
মোৰ ৰিক্ত জীৱনৰ
অতৃপ্ত বাসনাবোৰ
মাথোঁ শূন্যত ওলমি ৰয়;
আৰু তাৰ বুকুত বাজে যেন
এক গৰ্ভৱতী নাৰীৰ প্ৰসৱ বেদনা !

মোৰ গলিত যাত্ৰা পথত
কোনো এক পক্ষাঘাত ৰোগীৰ
অসহ্য যন্ত্ৰণাবোৰ—
মোৰ হৃদয় গচকি যায় !
অথচ ! মই কল্পনাত বিভোৰ
এক নতুন সৃষ্টিৰ উন্মাদনাত।
মই এক ব্যাধিগ্ৰস্থ উন্মাদ !

মোৰ হিয়াৰ নিভৃত কোণত
উদ্‌গীৰিত কামনাৰ আগ্নেয়গিৰি
প্ৰকাশৰ বেদনাত উঁচুপি উঠে
মোৰ দেহৰ প্ৰতি ধমনিত
ক্লান্তিৰ নিশ্বাস নামে !!

# অবোধ শিশুৰ কান্দোন

নীলাঞ্জনা শৰ্মা বৰুৱা
গুৱাহাটী

মৌনতাৰ পাহাৰ ভাঙি
জোনাকবোৰ পি খাব নোৱাৰিলেই
মই অপাৰগতাৰে উচুপি উঠোঁ।
তেওঁৰ মৰম কোমল উশাহে
পলকতে মচি নিয়ে
মোৰ কৰাল বুকুৰ ধূসৰতা।
তেওঁৰ অনুপস্থিতিত
জীৱন নাটৰ নিসংগ মঞ্চত
যাতনাৰ শিলে আত্মাক
থেতেলিয়াই মাৰে।
সেয়ে শেঁতা পৰা উশাহত
অবোধ শিশুৰ কান্দোন
এটা সাৱটি মই
প্ৰতি পলে তেওঁৰে অপেক্ষা কৰোঁ।
বেলি পাতত উঠিলেই
নিজানৰ নীলা চৰাই এটায়ে
বিষন্নতাৰ আকাশত
হুমুনিয়াহৰ চাকি জ্বলাই।
আৰু মই থাপনাৰ ঈশ্বৰক
কপালতে লগাই তেওঁৰ
কুশল কামনা কৰোঁ।।

**নৱম ভাগ**

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# নাৰী

হিমাজ্যোতি তালুকদাৰ
মিৰ্জা, কামৰূপ

শৈশৱতে মোক শিকাইছিল বাবে
মানুহক ভালপাওঁ প্ৰাণভৰি।

আনে মোক যিমান বেয়া পালেও
কলিজাত কিমান বিষ মোৰ নামত বুলি
জনাৰ প্ৰয়োজনবোধ নকৰোঁ
কাৰণ শৈশৱতে গঢ়িছিলোঁ
বিশ্বাসৰ নদী
আত্মবিশ্বাসৰ ঢল;
সেইবাবেই মানুহক ভালপাওঁ
মানুহ হিচাপে
আওকাণ কৰো ছদ্মবেশীৰ ওঁঠত জিলিকি উঠা কু-
অভিসন্ধি।

# তুমি আকৌ আহা আমাৰ মাজলৈ

পবিত্ৰী ভৰালী (মণি)
নগাওঁ, ধিং

তুমি যেতিয়া পৃথিৱীলৈ আহিছিলা
মোৰ জন্মই হোৱা নাছিল
গুচিও গ'লা মোৰ জন্মৰ আগতে
তোমাৰ কথা মানুহৰ মুখে-মুখে
কিতাপে, কিতাপে
তুমি স্বদেশীৰ বাবে আন্দোলন
কৰিছিলা সেয়াও আমি শুনিছোঁ
তুমি কবি,গীতিকাৰ, গায়ক, গদ্য-লেখক
আলোচনীৰ সম্পাদক তুমি দেশ প্ৰেমিক
সমাজ-সেৱক তুমি মহান সেয়াও
আমি শুনিছোঁ।
তুমি ইমানেই গুণী আছিলা নিজেই
ছপাই উলিয়ালা 'চেতনা' সম্পাদকীয়
ওৰে জীৱন অসম আৰু অসমীয়াৰ বাবে মাতি গ'লা
আজি তোমাৰ এফাঁকি কবিতা মনলৈ আহিছে
তই ভাঙিব লাগিব শিল
তই ভাঙিব লাগিব শিল
নোৱাৰোঁ বুলিলে নহ'ব যে ভাই
ঢিলতে পৰিব ঢিল
নোৱাৰোঁ বুলিলে নহ'ব যে ভাই
ঢিলতে পৰিব ঢিল
কাৰাগাৰতো তুমি সময়খিনি অবাবত নেখেদিলা
লিখি গ'লা গীত কবিতা কৰিলা সমাজৰ
বাবে সুন্দৰ চিন্তা
তোমাৰ গুণ কৈ শেষ কৰিব নোৱাৰো
তোমাক আকৌ এবাৰ আমাৰ মাজত বিচাৰিছোঁ
তুমি আকৌ আহা হে মহান পুৰুষ অম্বিকাগিৰি
ৰায়চৌধুৰী আমাৰ মাজলৈ
নৱ-প্ৰজন্মক সৎ পথেৰে আগুৱাই নিবলৈ।

# তেওঁ আহে তীৰ্থোদক হৈ

ৰঞ্জু ভাগৱতী
নগাঁও

ইয়াৰ আগতে তেওঁক মই
কোনোদিন দেখা নাছিলোঁ,
লগ পোৱা নাছিলোঁ তেওঁক কোনোদিনেই—
তেওঁৰ আকুতিত
সিদিনা ৰৈ আছিলোঁ মই  তেওঁলৈ,
পুৱাৰ বেলিটিক ওঠঁত লৈ
উৎকৰ্ণ হৈ–
হৃদয়ৰ পৃথিৱীত প্ৰথমবাৰ
দেখিছিলোঁ তেওঁক,
তেওঁৰ মুখত বিৰিঙি আছিল
পৃথিৱীৰ চিন্ময় প্ৰকাশ,
দুচকুত সপোনৰ ঢৌ,
তেওঁ আহিছিল তীৰ্থোদকৰ দৰে
চিদাম্বৰ হৈ—
মই তেওঁক কিবা এটা কোৱাৰ আগতেই,
মোৰ দুহাতত গুজি দিছিল
তেওঁৰ জীৱনৰ সোণপোৱা অভিজ্ঞতা—
আৰু,
মোক কৈছিল–
পোহৰ হোৱা, পোহৰ,
পোহৰে গান গাব জানে–
তেওঁ মোৰ আবেগ কাঢ়ি নি
গীত জুৰিছিল পোহৰৰ—
এতিয়া,
তেওঁৰ আৱেগেৰে মুখৰিত মোৰ
প্ৰতিটো দিন, প্ৰতিটো ৰাতি,
তেওঁক মই নিতৌ দেখোঁ, লগ পাওঁ –
স্বপ্ন আৰু কল্পনাত
মমতা আৰু শ্ৰদ্ধাত !!

# মই পাগলহৈ গৈছোঁ

ৰেখা দত্ত
যোৰহাট

মই যেন এতিয়া
নিজকেই চিনি নেপাঁও

হয়তো
লাহে লাহে পাগলহৈ হৈছোঁ

কি ভাবি জানোঁ
মনে মনে ধোঁৱাই থাকোঁ
নিজেই নেজানোঁ

আন্ধাৰবোৰে আৱৰি ধৰা
চাই বৰণীয়া মুখ খনৰ বাদে
একোৱেই নেদেখোঁ
অন্ধকাৰ
ভৱিষ্যত
কোনো শব্দই মোৰ সহ্য নহয়
নীৰৱতাবোৰো
মনটো মৰি গৈছে
কলিজাখনো

# ভষ্ম ঋষিৰ সৃষ্টি

ৰিজুমণি কটকী
নগাঁও

যোৱাটো ৰাতি ধনশিৰি নদীখন
মোৰ বুকুৰ ওপৰৰে বৈ আছিল

ময়ো, বিশ্বামিত্ৰ ঋষিৰ তোমৰলিত
চপৰা-চপৰে খহাইছিলোঁ গৰা

গৰা খহনীয়াত ধনশিৰি নদীখন সোমাই আহিছিল
বুকুৰ পৰা, মোৰ বুকুৰ ভিতৰলৈ

ক্ৰমশঃ,
তাৰ কোৰাল সোঁতত
লাজ নাইকীয়া হোৱা ময়ো যেন দুষ্মন্ত ঋষি।।

# প্ৰশ্ন

মাইটি কাকতি দাস
গুৱাহাটী

এখন আকাশ...
একেই মাটি।
এখন মুখ...
দুটোপাল চকুপানী।

এখন যুদ্ধ...
এযাৰি মাতৰ...
এমুঠি ভাতৰ..
ক্ৰন্দনৰত নাতিৰ প্ৰশ্ন! আইতা, মায়ে
তোমাক নেমাতে?
খাবলৈও নিদিয়ে?

পুত্ৰ নিমাত(মৌন)
স্বভিমানত? নে সম্পৰ্ক চিঙি যোৱাৰ
ভয়ত?

# তুমি

জীৱন কৃষ্ণ মহন্ত
গুৱাহাটী, চাৰ্ভে

পুৱাৰ অৰুণত দেখিলোঁ তোমাৰ

ৰূপ অপৰূপ
চাই চাই মোৰ হেঁপাহ নপলায়
নুগুছে মোৰ ভোক।

সন্ধিয়া নীলিমত দেখিলো তোমাক
জিল মিল তৰাৰ মাজত,
মেঘৰ মাজত দেখিলোঁ তোমাক
মনোমোহা শুকুলা সাজত ।

তন্দ্ৰালসতাই আবৰি ধৰে মোক
দেখি তোমাৰ ৰূপ।।

পূৰ্ণিমাৰ জোনক দেখিলো তোমাক
খেলি আছা জোনাকত,
আউঁসীৰ আন্ধাৰত তোমাৰ উমান পালোঁ
নিউ নিউ ফেচাঁৰ মাতত ।।

তোমাৰ মায়াবী ৰূপে
বলিয়া কৰে মোক নিতে
পাহৰোঁ মনৰে শোক।।

# সন্ধানৰ শেষত

গুণধৰ নাথ
নগাঁও, খুটিকটীয়া, সেউজনগৰ

তেতিয়া চাগে সময়ে হাঁহিছিল
কাৰণ জোনৰ লগৰ তৰাটো
মেঘে ঢাকিছিল,
আক্ষেপ নাই তৰাৰ
দুদিনৰ পিছতে লুকাই পৰিব জোনটো
অমাৱস্যাৰ গভীৰ এন্ধাৰত !

লগপোৱাৰ অপেক্ষা এতিয়া অপ্রাসংগিক
দুটি সমান্তৰাল পথেৰে হাবিয়াসৰ গতি,
হৃদয়ৰ আহ্বান
সৰি পৰা ফুলৰ পাহি,
হেঁপাহ বোৰ কেতিয়াবা কাষচাপি
আতঁৰি যায়,
সচা প্রেমৰ মিছা অভিনয়
হয়তো নতুনৰ বাবে পুৰণি অনাদৃত।

জীৱনৰ বাটত
এটি নতুন সমীকৰণ
যাৰ সমাধান নিজৰ হাতত;
ভাল লগা নিশ্বাসৰ সন্ধানত
হৃদয়ৰ কোনো এটা চুকত
আঁকিলোৱা ছবিখন
এতিয়া আছে জানো জিলিকি ? ?

# বিচিত্ৰ মানৱ জীৱন

পূজা ধৰ বৈষ্ণৱ
বেদেতী, বিশ্বনাথ

মানুহৰ জীৱন সচাঁকৈয়ে বৰ  বিচিত্ৰ,
আমি যন্ত্ৰচালিত,
চাবি দিয়া পুতলাৰ দৰে,
আমি সকলোৱেই ইটো-সিটো কৰোঁ,
কোনোবাটো আমি জানি কৰিছোঁ ,
আৰু কোনোবাটো, অজানিতে...।

সচাঁকৈয়ে জীৱন বৰ বিচিত্ৰ,
আমি বিচৰা ধৰণে কামবোৰ হৈ উঠিলে,
বৰ আনন্দিত হওঁ, উৎসাহিত হওঁ ,
আৰু, মনে বিচৰা ধৰণে হৈ নুঠিলে,
হতাশা আৰু কিছুমান চিন্তাই,
আমাক বেৰি ধৰি,
মানসিক ভাৱে জুৰুলা কৰে  ।

মানসিক ভাৱে আমি,
যিমানেই দুৰ্বল নহও  কিয়,
আমি যদি আমাৰ সততাৰে...
নিষ্ঠা আৰু একাগ্ৰতাৰে,
আমাৰ কৰ্ম কৰি যাওঁ,
তেন্তে আমি, সফলতাৰ চাবি কাঠী ,
নিজৰ হাততে বিচাৰি পাম।

মানুহৰ জীৱন সচাঁকৈয়ে বৰ বিচিত্ৰ,
যিমান পালেও, আৰু লাগে, আৰু লাগে বুলি, ষষ্ঠ ৰিপুৱে
মানুহৰ  পিছে পিছে খেদি ফুৰে।
আৰু ষষ্ঠ ৰিপুৰ কবলত পৰি,
সমগ্ৰ মানৱ জাতিয়ে অনুতাপ কৰে...
সমগ্ৰ মানৱ জাতিয়ে অনুতাপ কৰে...

# স্বাগতম

শেৱালি দাস কলিতা

নৱবৰ্ষ তোমাক স্বাগতম
তুমি যে আহি ৰৈ আছাহি
মোৰ পদুলিত
হিয়া উজাৰি জনাইছোঁ
তোমাক স্বাগতম ২০২২ বৰ্ষ

বিদায় মাগিছে ২০২১ বৰ্ষই
লগতে নিঃশেষ হওঁক ২০২১ বৰ্ষৰ
মহামাৰী ক'ৰণা
নোহোৰা হওঁক
হত্যা, লুণ্ঠন ধৰ্ষণ
অৰিয়া-অৰি, ভেদাভেদ
আহক নৱবৰ্ষ আমাৰ বাবে
আশাৰ বতৰা লৈ
সুখ-শান্তিৰে উভৈনদী হৈ পৰক
এইখন ধৰণী
নৱবৰ্ষ তোমাক জনাইছোঁ
স্বাগতম হাতযোৰ কৰি
প্ৰণাম নৱবৰ্ষ ২০২২।

**সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি**

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

'সহস্ৰ কবিৰ সহস্ৰ কবিতা' এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ'ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ'ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com